সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১৩ সংখ্যা, ১৬ চ'ত, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No.13 Date of Publication- 30 March 2025 Rs. 10.00/-

## বৰভূঁইকঁপৰ পাছত মৃত্যুপুৰীত পৰিণত হৈছে ম্যানমাৰ



ৰঙিলী বাৰ্তাসেৱা- শুকুৰবাৰে ৭.৭ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যোৱাৰ পাছত মৃত্যুপুৰীত পৰিণত হৈছে ম্যানমাৰ। ধ্বংসস্তূপত উদ্ধাৰ অভিযান চলাৰ লগে লগে বৃদ্ধি পাই আছে মৃত্যু হোৱা লোকৰ সংখ্যা। শুকুৰবাৰে অহা বিধ্বংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যাই ১, ৭০০ অতিক্ৰম কৰিছে। দেশখনৰ প্ৰশাসনে সদৰী কৰা অনুসৰি এতিয়ালৈকে মৃত্যু হোৱা লোকৰ সংখ্যা হৈছেগৈ ১, ৭০০জন। ইফালে, আহত লোকৰ সংখ্যা ৩, ৪০০ হৈছে বুলি প্ৰশাসনৰ সূত্ৰই সদৰী কৰিছে। শুকুৰবাৰে ভাৰতীয় সময় অনুসৰি ১১.৫০ বজাত মধ্য ম্যানমাৰৰ ছাগাইং চহৰৰ উত্তৰ-পশ্চিম দিশত প্ৰথমে ৭.৭ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পটোৱে জোকাৰি যোৱাৰ ১২ মিনিট পাছত আন এটা ৬.৪ প্ৰাবল্যৰ ভূমিকম্পই দেশখনক পুনৰ জোকাৰি যায়।এই দুই শক্তিশালী ভূমিকম্পৰ পৰৱৰ্তী সময়ত সৰু সৰুকৈ ১৪টা ভূমিকম্পৰ সৃষ্টি হয়। এই কম্পনসমূহৰ প্ৰাবল্য ২.৮ৰ পৰা ৬.৭লৈ আছিল বুলি দাবী কৰিছে প্ৰশাসনে। লক্ষণীয়ভাৱে ম্যানমাৰত



প্ৰথমতে ক্ষতিগ্ৰস্ত প্ৰাসাদবোৰ এই আফটাৰ শ্বকৰ বাবে সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। ম্যানমাৰত অনুভূত এই ভূমিকম্পই প্ৰতিবেশী থাইলেণ্ডতো ক্ষতিসাধন কৰিছে।

( নপৃষ্ঠাত চাওক)

## গুৱাহাটীত স্থায়ী ভেণ্ডিং জ'ন স্থাপনত ব্যৰ্থ গুৱাহাটী পৌৰ নিগম



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী পৌৰ নিগমে পদপথ ব্যৱসায়ীসকলৰ বাবে স্থায়ী ভেণ্ডিং জ'ন স্থাপন নকৰাত জীৱন আৰু জীৱিকাৰ স্বাৰ্থত নীতি-নিৰ্দেশনা উলংঘাৱে পথ-পদপথ দখল কৰি ক্ষুদ্ৰ ব্যৱসায়ীসকলে ব্যৱসায় চলাই আহিছে। গুৱাহাটী মহানগৰীত দিনক দিনে পদপথ ব্যৱসায়ীৰ সংখ্যা বৃদ্ধি পোৱাত মহানগৰবাসীয়ে যানজটকে ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। স্মাৰ্ট চিটীৰ ৰূপ পাবলৈ গৈ থকা গুৱাহাটী মহানগৰীত আজি পৰ্যন্ত স্থায়ী ভেণ্ডিং জ'ন স্থাপন কৰাৰ বাবে গুৱাহাটী পৌৰ নিগমে সুদুৰপ্ৰসাৰী আঁচনি গ্ৰহণ নকৰিলে। ষ্ট্ৰীট ভেণ্ডিং আইন কাৰ্যকৰী কৰাত ধাৰাবাহিকভাৱে গুৱাহাটী

( নপৃষ্ঠাত চাওক)

## ম্যানমাৰলৈ ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ ভাৰতৰ




ৰঙিলী বাৰ্তাসেৱা- বিধ্বংসী ভূমিকম্পৰ পাছৰে পৰা ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগৰ কবলত ম্যানমাৰ। প্ৰতিবেশী বন্ধু দেশখনৰ এই দুৰ্যোগৰ সময়ত উদ্বিগ্ন হৈ পৰিছে ভাৰত। ইতিমধ্যে দেশখনত ১৬ শতাধিক লোকৰ মৃত্যু হৈছে। আহত হৈছে তিনি সহস্ৰাধিক। ইফালে, নিখোজ হৈ আছে কেইবাশও লোক। ইয়াৰ মাজতে দেশখনৰ সামৰিক চৰকাৰৰ মুৰব্বী মিন আং লায়িঙৰে টেলিফোনিক বাৰ্তালাপ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সামৰিক নেতাগৰাকীৰে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে প্ৰতিবেশী দেশৰ এই দুৰ্যোগৰ সময়ত শোকদগ্ধ হৈছে ভাৰত। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভয়াৱহ দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শোক প্ৰকাশ কৰাৰ উপৰি দুৰ্গত লোকসকললৈ সমবেদনাও জ্ঞাপন কৰে। অকল সেয়াই নহয়, এই মুহূৰ্তত ভাৰতে সকলো প্ৰকাৰৰ সহায় ম্যানমাৰক আগবঢ়াবলৈ সাজু আছে বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে।

( নপৃষ্ঠাত চাওক)

## আজি বৰ্ষাপাৰাত আই পি এলৰ হাইভল্টেজ মেচ



ৰঙিলী বাৰ্তাসেৱা- আজি গুৱাহাটীত অনুষ্ঠিত হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ দ্বিতীয়খন মেচ। বৰ্ষাপাৰাত আজি অগ্নিপৰীক্ষাৰ সন্মুখীন হ'ব ৰাজস্থান ৰয়েলছৰ অধিনায়ক অসম সন্তান ৰিয়ান পৰাগ। বৰ্ষাপাৰাত মহাৰণত নামিব ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছ। সন্ধিয়া ৭-৩০ বজাৰ লগে লগে বৰ্ষাপাৰা ষ্টেডিয়ামত আৰম্ভ হ'ব দুয়োটা দলৰ মহাৰণ। চলিত আইপিএলত ৰাজস্থান ৰয়েলছৰ প্ৰথম তিনিখন মেচত অধিনায়কৰ দায়িত্ব লাভ কৰা ৰিয়ান পৰাগে দলক প্ৰত্যয়জনক আৰম্ভণি দিয়াত ব্যৰ্থ হৈছে। দলটোৱে নিজৰ প্ৰথম দুয়োখন মেচতে পৰাজয়ৰ বৰণ কৰিছে। ফলত আজিৰ মেচখন মৰণপণ যুঁজ হিচাপে বিবেচিত

( নপৃষ্ঠাত চাওক)

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অধিৱেশন



ৰঙিলী বাৰ্তাসেৱা- অসম লেখিকা সমাৰোহ সমিতিৰ চচল শাখাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশনখন আজি চচলৰ ৰবীন্দ্ৰ নাথ দাস সভাগৃহত অতি উলহ মালহেৰে অনুষ্ঠিত হয়। সেই উপলক্ষে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে চচল শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী প্ৰণীতা শৰ্মাই। বন্তি প্ৰজ্ব লন কৰে উপদেষ্টা ড° হিৰণ্ময়ী নাথে। শাখাৰ জেষ্ঠা সদস্যা বীণা দাসে স্মৃতি তৰ্পন কৰে। বিয়লি ২-৩০ বজাৰ পৰা "চিৰ চেনেহী মোৰ ভাষা জননী" গীতেৰে আৰম্ভ হোৱা মুকলি সভাত পৌৰোহিত্য কৰে চচল শাখাৰ সভানেত্ৰী প্ৰণীতা শৰ্মাই। সভাখন উদ্বোধন কৰে কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা শেৱালী ভাগৱতীয়ে।চচল শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা চিত্ৰা দাসে আদৰনী ভাষন আগবঢ়ায়। তদুপৰি সম্পাদিকাই চচল শাখাৰ যোৱা দুটা বছৰৰ বিভিন্ন কাৰ্যসূচী তথা হিচাব-নিকাচৰ প্ৰতিবেদন পাঠ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাবে আমন্ত্ৰিত ঝাৰখণ্ড বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা জেউতি বৰুৱাই "নাৰী, সাহিত্য আৰু সমাজ" এই বিষয়ৰ ওপৰত অতি তত্ত্বগধুৰ বক্তৃতাৰে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। উক্ত সভাত চচল শাখা লেখিকা সমাৰোহ সমিতিৰ দ্বি-বাৰ্ষিক মুখপত্ৰ *( নপৃষ্ঠাত চাওক)*

# শ্বিলঙত আজি নৰ্থ-ইষ্টৰ সন্মুখত জামছেদপুৰ



ৰঙিলী বাৰ্তাসেৱা- চলিত ইণ্ডিয়ান ছুপাৰ লীগৰ দ্বিতীয় খন প্লে-অফ মেচত নৰ্থ-ইষ্ট ইউনাইটেড এফচিয়ে জামছেদপুৰ এফচিৰ বিৰুদ্ধে আজি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত খেলিব। প্ৰথমবাৰৰ বাবে আইএছএলৰ নকআউট মেচত পৰস্পৰৰ বিৰুদ্ধে মুখামুখি হ'ব দুয়োটা দল। ইফালে, প্ৰথমবাৰৰ বাবে আইএছএলৰ মেচ আয়োজন কৰা শ্বিলঙে প্লে-অফ খেল আয়োজন কৰিও ইতিহাস গঢ়িব। এইবাৰ শ্বিলঙত নৰ্থ-ইষ্ট ইউনাইটেডে দ্বিতীয় ঘৰ হিচাপে আইএছএলৰ অন্তিম তিনিখন মেচ খেলিছিল। আজিৰ মেচলৈ ঘৰুৱা দলটো আত্মবিশ্বাসী। অন্তিম দুখন মেচত জয়লাভ কৰি ইতিবাচক হৈ থকা নৰ্থ-ইষ্ট ইউনাইটেডৰ সন্মুখত জামছেদপুৰে চাপত খেলিব লাগিব। কাৰণ দলটোৱে লীগৰ অন্তিম দুখন মেচত পৰাজয় স্বীকাৰ কৰিব লগা হৈছিল। অৱশ্যে প্লে-অফৰ চাপ নৰ্থ-ইষ্ট ইউনাইটেডৰ শিবিৰতো থাকিব। নৰ্থ-ইষ্ট ইউনাইটেডৰ আক্ৰমণাত্মক গতিশীলতা এই *( নপৃষ্ঠাত চাওক)*

# দুধনৈ-বকোত বিজেপিৰ বিশাল নিৰ্বাচনী সভা



ৰঙিলী বাৰ্তাসেৱা- ৰাভা হাছং স্বায়ত্বশাসিত অঞ্চলৰ উন্নয়নৰ বাবে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এন.ডি.এ চৰকাৰ সদায় দায়বদ্ধ। ৰাভা হাছঙত বাস কৰা সকলো জাতি-জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ হকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰখনে নিৰবচ্ছিন্নভাৱে কাম কৰি আহিছে। এই মন্তব্য অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ। অহা ২ এপ্ৰিলত অনুষ্ঠিত হবলগীয়া ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচন উপলক্ষে দুধনৈত আয়োজন কৰা এখন বিশাল নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অংশগ্ৰহণ কৰি সভাপতি দিলীপ শইকীয়াই কয় যে, অসমৰ উন্নয়ন হব লাগিলে জাতি-জনগোষ্ঠী সমূহৰ বিকাশ ত্বৰান্বিত কৰাটোৱেই প্ৰাথমিক আৰু মূল কথা । পূৰ্বৰ কংগ্ৰেছ আমোলৰ নিষ্পেষিত জনগোষ্ঠীসমূহৰ উন্নয়ন সম্ভৱ হৈছে একমাত্ৰ বিজেপি *( নপৃষ্ঠাত চাওক)*

# দেশৰ ক্ষমতাশালী ব্যক্তিৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- দেশৰ শীৰ্ষ ১০০ ক্ষমতাশালী ব্যক্তিৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থান লাভ কৰিছে । ইণ্ডিয়ান এক্সপ্ৰেছে শেহতীয়াকৈ প্ৰকাশ কৰা ১০০জনীয়া তালিকাত ৩১সংখ্যক স্থানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থান লাভ কৰাৰ বিপৰীতে ৫৫সংখ্যক স্থানত আছে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। উল্লেখ্য যে ইণ্ডিয়ান এক্সপ্ৰেছে প্ৰতিবছৰে দেশৰ ১০০ ক্ষমতাশালী ব্যক্তিৰ তালিকা প্ৰকাশ কৰি আহিছে। শেহতীয়াকৈ প্ৰকাশ কৰা এই তালিকাত শীৰ্ষস্থানত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আনহাতে, দ্বিতীয় স্থানত আছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। এইবাৰ দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে তালিকাত অৱনমিত হৈ ১৮ স্থানৰ পৰা ৫২সংখ্যক স্থান লাভ কৰিছে। আনহাতে, এঢাপ আগুৱাই বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নৱম স্থান লাভ কৰিছে। ইণ্ডিয়ান এক্সপ্ৰেছে প্ৰকাশ কৰা তালিকাত তৃতীয় স্থানত আছে কেন্দ্ৰীয় মন্ত্ৰী এছ জয়শংকৰ, চতুৰ্থ স্থানত আছে আৰ এছ এছৰ সংঘ চালক মোহন ভাগৱত, পঞ্চম স্থানত আছে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, ষষ্ঠ স্থানত আছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, সপ্তম স্থানত আছে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, অষ্টম স্থানত আছে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, নৱম স্থানত ৰাহুল গান্ধী থকাৰ বিপৰীতে দশম স্থান লাভ কৰিছে ৰিলায়েঞ্চৰ পৰিচালন সঞ্চালক মুকেশ আম্বানী আৰু একাদশ স্থানত আছে আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি। ইফালে, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাভিছে ১৩ নম্বৰ স্থানত, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী ১৪ নম্বৰ স্থানত আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰি আছে ১৫ নম্বৰ স্থানত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তালিকাত ৩১ নম্বৰ স্থান লাভ কৰাৰ বিপৰীতে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে ৩২নং স্থান লাভ কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্ধেই ৫১ নম্বৰ স্থান লাভ কৰিছে। আনহাতে, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ১৮ নম্বৰ স্থান লাভ কৰিছে।

# কামৰূপ মহানগৰ জিলা পথ-সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক




ৰঙিলী বাৰ্তাসেৱা- কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ অধ্যক্ষতাত জিলা পথ-সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় । কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মা, পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া আৰু কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্ববাহী জিলা পৰিবহণ বিষয়া গৌতম দাস, কামৰূপ মহানগৰ জিলা পথ-সুৰক্ষা সমিতিৰ সদস্য সচিব অভিজিৎ চৌধুৰী, প্ৰৱৰ্তক পৰিদৰ্শক বিক্ৰমাদিত্য গগৈ, নিতু চেতিয়া, যানবাহন পৰিদৰ্শক পংকজ কুমাৰ দাসকে ধৰি জিলা পথ-সুৰক্ষা সমিতিৰ লগত জড়িত লোকনিৰ্মাণ, স্বাস্থ্য আদি বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়াৰ উপস্থিতিত বৈঠকখন অনুষ্ঠিত হয় । ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত যৌথ টহল দিয়াৰ বাবে জিলা পৰিবহণ বিষয়াৰ সৈতে ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ আলোচনা, পথচাৰীকে ধৰি সকলো শ্ৰেণীৰ যানবাহন ব্যৱহাৰকাৰীৰ সুৰক্ষিত যাতায়াতৰ ব্যৱস্থা কৰা, ব্লেক স্পট ডাটা প্ৰদান আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয় । বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পথ-সুৰক্ষাৰ লগত জড়িত সকলো বিভাগকে পথ-দুৰ্ঘটনা ৰোধ আৰু দুৰ্ঘটনাত নিহতৰ সংখ্যা হ্ৰাস কৰাৰ ক্ষেত্ৰত নিজৰ নিজৰ বিভাগৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায় ।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ 'কুন্তীদেৱী স্মাৰক বক্তৃতা'



ৰঙিলী বাৰ্তাসেৱা- 'আধ্যাত্মিকতা আৰু ধৰ্ম একে নহয়, আধ্যাত্মিকতাৰ বাবে ধৰ্মৰ প্ৰয়োজন নহয়।'-এই মন্তব্য অসম চৰকাৰৰ অৱসৰী শিক্ষা বিষয়া ড° দীপাংক শইকীয়াৰ ।২৮ মাৰ্চত গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ উদ্যোগত মহানগৰীৰ দাঁতালপাৰাস্থিত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয় প্ৰাংগনত আয়োজিত 'কুন্তীদেৱী স্মাৰক বক্তৃতা'ৰ 'আধ্যাত্মিকতাঃঅনুপম জীৱনৰ চাবিকাঠি' বিষয়ত বক্তৃতা প্ৰদান কৰি এইদৰে মন্তব্য কৰে প্ৰাক্তন শিক্ষা বিষয়া ড° দীপাংক শইকীয়াই। তেওঁ পুনৰ কয় যে ধৰ্মক আধ্যাত্মিকতাই হাইজেক কৰিছে। মন শুদ্ধ কৰক, আত্মাৰ উৎকৰ্ষ সাধন কৰক ।জগতগুৰু শংকৰদেৱ এজন পূৰ্ণ মানৱ, দৈৱিক গুণ সম্পন্ন ব্যক্তি । আধ্যাত্মিক গুণ সম্পন্ন এজন ব্যক্তি। আজি সমাজৰ অধঃপতনৰ পৰা ৰক্ষা কৰিবলৈ আধ্যাত্মিকতা নিশ্চয় গুৰুত্ব আছে। অনুপম জীৱনঃ যি জীৱনৰ তুলনা নাই। সমাজৰ সাংগঠনিক সম্পাদক গকুল বৰুৱাই আঁত ধৰা সভাত পৌৰোহিত্য কৰে সমাজৰ সভাপতি শিৱ প্ৰসাদ ভট্টাচাৰ্যই। শিল্পী মৃণাল দাস আৰু কস্তুৰী কাশ্যপে পৰিচালনা কৰা আৰম্ভণী গীতেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে জ্যেষ্ঠ সদস্য লংকেশ্বৰ ডেকাই। 'অন্তৰংগ আলাপ' অনুষ্ঠানত ( নপৃষ্ঠাত চাওক)

# সকলোকে অবাক কৰি আম আদমি পাৰ্টীত যোগদানৰ ধুমুহা



ৰঙিলী বাৰ্তাসেৱা- দিল্লীৰ নিৰ্বাচনত আশানুৰূপ ফলাফল লাভ কৰিবলৈ সক্ষম নোহোৱাত দলটোৰ অসমত ভবিষ্যতক লৈ সকলোৰে মনত প্ৰশ্ন উদয় হৈছিল। কিন্তু আপ অসমৰ শেহতীয়া কুচকাৱাজে সেই চিন্তাৰ অৱসান ঘটাইছে। ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ, অসম ভূমিপুত্ৰ ঐক্য মঞ্চৰ সৈতে মিত্ৰতা, অসমৰ চুকেকোণে সৰু বৰ যোগদান কাৰ্যসূচীৰে (দহ পৃষ্ঠাত চাওক)

# নলবাৰীত 'নাহৰ ফুল' শীৰ্ষক বিহুগীতৰ ভিডিঅ' মুকলি




ৰঙিলী বাৰ্তাসেৱা- কণ্ঠশিল্পী অনুৰাগ পলৰ বিহুগীতৰ ভিডিঅ' 'নাহৰ ফুল' নলবাৰীত থকা 'অসম টাইম'ৰ কাৰ্যালয়ত উন্মোচন কৰা হয়। উন্মোচন কৰে 'অসম টাইম'ৰ পৰিচালন সম্পাদক কমলেশ শৰ্মাই। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে মুখ্য সম্পাদক এম মহিবৰ ৰহমান, সমন্বয়ক নৰেন ৰাজবংশী, বিশিষ্ট লেখক (দহ পৃষ্ঠাত চাওক)

# পলাশবাৰীৰ ৰামপুৰৰ কৃষ্ণ বোৰ্ড এণ্ড কণ্টেইনাৰ নামৰ উদ্যোগত প্ৰতিবাদ



ৰঙিলী বাৰ্তাসেৱা- পলাশবাৰীত স্থাপিত বিভিন্ন উদ্যোগত দীৰ্ঘদিন ধৰি শ্ৰমিকৰ ওপৰত চলি আহিছে মালিক পক্ষৰ চৰম অনিয়ম আৰু শোষণ বঞ্চনা। এই শোষণ বঞ্চনা চলি থকাৰ সময়তে কালি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰৰ কৃষ্ণ বোৰ্ড এণ্ড কণ্টেইনাৰ নামৰ উদ্যোগত বিভিন্ন শ্ৰমিকে মালিকপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শেহতীয়াভাৱে এই উদ্যোগৰ শ্ৰমিকক এগৰাকী ঠিকাদাৰে শাৰিৰীকভাৱে আক্ৰমণ কৰে। ফলত নিৰাপত্তাহীনতাত ভুগিছে শ্ৰমিকসকলে। নাই শ্ৰমিকৰ নিৰাপত্তা। নাই নিশাৰ ভাগত সা সুবিধা। প্ৰকৃত পাপ্য মজুৰিৰ পৰাই বঞ্চিত হৈ এই শ্ৰমিকসকলে আজি প্ৰতিবাদ কৰে। ফলত ইয়াক লৈ উত্তাল হৈ পৰে এই উদ্যোগটোৰ থলী। প্ৰতিবাদকাৰীসকলে শ্ৰমিকক নিৰাপত্তা প্ৰদান কৰক, শ্ৰমিক আইন উলংঘন কৰি শ্ৰমিকক শোষণ কৰা নচলিব, সন্তোস দাস নামৰ ঠিকাদাৰৰ অত্যাচা দাদাগিৰি নচলিব আদি দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে কয়- (দহ পৃষ্ঠাত চাওক)

# ব্যক্তিগত অপ্ৰাদেশীকৃত স্কুলত নাথাকিব পৰীক্ষা কেন্দ্ৰ

ৰঙিলী বাৰ্তাসেৱা- উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰশ্নকাকত ফাদিলৰ পিছতে তৎপৰ হৈ পৰিছে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ। আগন্তুক সময়ত যাতে এনেধৰণৰ ঘটনা পুনৰ সংঘটিত নহয় তাৰ বাবে পৰিষদে কেতবোৰ নতুন নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কোনোধৰণৰ ব্যক্তিগত অথবা অপ্ৰাদেশীকৃত প্ৰতিষ্ঠানক যিকোনো পৰিস্থিতিতে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পিছুৱাই দিয়া পৰীক্ষাসমূহৰ বাবে পৰীক্ষা কেন্দ্ৰ হিচাপে বাছনি কৰিব নোৱাৰিব বুলি পৰিষদে নিৰ্দেশ দিছে। ৰাজ্যৰ প্ৰতিখন জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকললৈ ব'ৰ্ডৰ সচিবে প্ৰেৰণ কৰা এক পত্ৰত উল্লেখ কৰা অনুসৰি চলিত বৰ্ষৰ পিছুৱাই দিয়া উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰশ্নকাকতসমূহ আৰক্ষী থানা অথবা আৰক্ষী চকীৰ জিম্মাত ৰখা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহে পৰিষদৰ পৰা প্ৰশ্নকাকতসমূহ লাভ কৰিব আৰু তেওঁলোকে সংশ্লিষ্ট আৰক্ষী থানা অথবা আৰক্ষী চকীৰ জিম্মাত প্ৰশ্নকাকতসমূহ ৰাখিব লাগিব। পৰীক্ষাৰ দিনা পৰীক্ষা কেন্দ্ৰসমূহৰ তত্ত্বাবধায়কসকলে সংশ্লিষ্ট আৰক্ষী থানা অথবা চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা চিল্ড পেকেটত থকা প্ৰশ্নকাকতসমূহ লাভ কৰিব। পৰীক্ষা কেন্দ্ৰৰ তত্ত্বাৱধায়কসকলে তাৰ পিছতহে আৰক্ষী থানা অথবা চকীৰ চৌহদতহে সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ মুৰব্বীক প্ৰশ্নকাকতৰ টোপোলাসমূহ প্ৰদান কৰিব পাৰিব। প্ৰশ্নকাকতসমূহ গ্ৰহণ কৰাৰ বাবে জিলাসমূহত পৰীক্ষা কেন্দ্ৰ বাছনি কৰিবলৈ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলক পৰিষদে নিৰ্দেশ দিছে। এই বাছনিৰ সময়ত বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলে কেতবোৰ বিশেষ দিশৰ ওপৰত দৃষ্টি ৰাখিব লাগিব। সেই অনুসৰি কেন্দ্ৰসমূহ কেৱল চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক পৰীক্ষাৰ বাবেহে বাছনি কৰিব লাগিব। এই কেন্দ্ৰসমূহ আৰক্ষী থানা অথবা চকীৰ সমীপৱৰ্তী চৰকাৰী, প্ৰাদেশীকৃত বিদ্যালয় অথবা মহাবিদ্যালয় হ'ব লাগিব। কেৱল একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান হোৱা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলক পৰীক্ষা কেন্দ্ৰ হিচাপে বাছনি কৰাৰ পৰা বিৰত থাকিবলৈও পৰিষদে বিদ্যালয়সমূহৰ পৰিদৰ্শকক পৰামৰ্শ দিছে।

# প্ৰাক্তন সভাপতি মিত্ৰদেৱ মহন্তক স্মৰণ অসম সাহিত্য সভাৰ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ এজন বিখ্যাত কবি, সাহিত্যিক, নাট্যকাৰ, অভিনেতা তথা অসম সাহিত্য সভাৰ ১৯৬৪ চনৰ ডিগবৈ অধিৱেশনৰ সভাপতি মিত্ৰদেৱ মহন্তৰ মৃত্যু দিৱসটি আজি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত হয় । অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে প্ৰাক্তন সভাপতিগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত পুষ্পাৰ্ঘ অৰ্পণ কৰি কয় যে মিত্ৰদেৱ মহন্তদেৱে কেইবাখনো গ্ৰন্থ, শিশু সাহিত্য পুথি আৰু নাট ৰচনাৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁ লগতে কয় যে অভিনয়ৰ বাবে সংগীত নাটক একাডেমি বঁটা লাভ (দহ পৃষ্ঠাত চাওক)

# দ্বাদশ শ্ৰেণীৰ পাঠদান আৰম্ভৰ পাছতহে হ’ব একাদশৰ পৰীক্ষা

ৰঙিলী বাৰ্ত্তাসেৱা- উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পাঠদান আৰম্ভ হোৱাৰ পাছতহে বাতিল হোৱা একাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ অনুষ্ঠিত কৰা হ’ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব’ৰ্ডৰ সচিবে জাৰি কৰা এখন জাননীত প্ৰকাশ কৰা অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে ব’হাগ বিহুৰ বন্ধৰ পাছতে দ্বাদশ শ্ৰেণীৰ পাঠদান আৰম্ভ কৰিবলৈ সিদ্ধান্ত কৰা হৈছে। ২৪ তাৰিখে অনুষ্ঠিত হোৱা এখন বৈঠকৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি একাদশ শ্ৰেণীৰ বৈ যোৱা পৰিক্ষাসমূহৰ সূচী এনেধৰণে প্ৰস্তুত কৰা হ’ব যাতে আগ্ৰহী শিক্ষাৰ্থীসকলে অহা ১৫ জুনৰ পৰা ই-মাৰ্কশীটসমূহ ডাউনলোড কৰিব পাৰে। সেয়েহে বিদ্যালয়সমূহক পৰীক্ষাৰ্থীসকলৰ উত্তৰবহীসমূহ মূল্যায়ন কৰি ১৫ জুনৰ পূৰ্বে সংশ্লিষ্ট প’ৰ্টেলত আপলোড কৰিবলৈ ব’ৰ্ডে নিৰ্দেশ দিছে। জাননীত সচিবে প্ৰকাশ কৰা মতে, একাদশ শ্ৰেণীৰ বৈ যোৱা পৰীক্ষাসমূহৰ সূচী সঠিক সময়ত প্ৰকাশ কৰা হ’ব। উল্লেখ্য যে ১৫খন বিদ্যালয়ত আগতীয়াকৈ একাদশ শ্ৰেণীৰ প্ৰশ্নকাকতৰ টোপোলা খুলি পেলোৱাৰ তথ্য পোহৰলৈ অহাৰ পাছত ২৪ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ অনুষ্ঠিত হ’বলগীয়া পৰীক্ষাসমূহ বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ইতিমধ্যে শিক্ষা বিভাগৰ তৰফৰ পৰা ঘোষণা কৰা হৈছে যে পঞ্চায়ত নিৰ্বাচনৰ সময়সূচীৰ ভিত্তিতহে বাতিল কৰা পৰীক্ষাসমূহৰ দিন নিৰ্ধাৰণ কৰা হ’ব।

# ৫ উইকেটত জয়লাভ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ



ৰঙিলী বাৰ্ত্তাসেৱা- হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে। মেচখনত হায়দৰাবাদে জয়ৰ বাবে বান্ধি দিয়া ১৯১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি নিকোলাছ পুৰানৰ ২৬ বলত ৭০ আৰু অপেনাৰ মিচেল মাৰ্শ্বৰ ৩১ বলত ৫২ ৰানৰ সহায়ত ১৬.১ অভাৰত ৫টা উইকেট (দহ পৃষ্ঠাত চাওক)

# পাকিস্তানৰ বিৰুদ্ধে ৪-১ত শৃংখলা জয় নিউজিলেণ্ডৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ঘৰুৱা দল নিউজিলেণ্ডৰে খেলা পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটোৰ পঞ্চম তথা অন্তিমখন মেচতো পৰাস্ত হয় পাকিস্তান। বেলিংটনত অনুষ্ঠিত অন্তিম মেচখনত নিউজিলেণ্ডে ৬০টা বলতে জয়ৰ লক্ষ্যত উপনীত হয়। মেচখনত ৮ উইকেটত বিজয় সাব্যস্ত কৰি কিৱি বাহিনীয়ে শৃংখলাটো ৪-১ৰ ব্যৱধানত হস্তগত কৰে। পাকিস্তানে জয়ৰ বাবে বান্ধি দিয়া ১২৯ ৰানৰ লক্ষ্য (দহ পৃষ্ঠাত চাওক)

# ১ এপ্ৰিলৰ পৰা হ্ৰাস পাব বিদ্যুৎ মাচুল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যবাসীলৈ সুখবৰ। অহা ১ এপ্ৰিলৰ পৰা শক্তি বিভাগে হ্ৰাস কৰিব বিদ্যুতৰ নিৰিখ। ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো জীৱনধাৰা আৰু ঘৰুৱা উপভোক্তাৰ বাবে বিদ্যুতৰ শুল্ক প্ৰতি ইউনিটত ১ টকাকৈ হ্ৰাস কৰা হ’ব। বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষ সঞ্জয় কৃষ্ণই আনুষ্ঠানিকভাৱে এই কথা ঘোষণা কৰে। ইয়াৰ জৰিয়তে ১২৫ ইউনিট বিদ্যুৎ ব্যৱহাৰ কৰা গ্ৰাহকে এই ব্যৱস্থাৰ জৰিয়তে লাভ কৰিব ৰেহাই। আনহাতে কৃষি, ঔদ্যোগিক আৰু বাণিজ্যিক শুল্ক প্ৰতি ইউনিটত ২৫ পইচাকৈ হ্ৰাস পাব। এই সন্দৰ্ভত অধ্যক্ষ সঞ্জয় কৃষ্ণই উল্লেখ কৰে যে অসম বিদ্যুৎ বিতৰণ কোম্পানী (এপিডিচিএল), অসম বিদ্যুৎ উৎপাদন কোম্পানী (এপিজিচিএল), অসম বিদ্যুৎ গ্ৰিড কোম্পানী (এইজিচিএল) আৰু ৰাজ্যিক বিতৰণ কেন্দ্ৰ (এছএলডিচি) ৰ আবেদনৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ নিয়ামক আয়োগে ১ এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ বিদ্যুতৰ নতুন নিৰিখ সম্পৰ্কীয় নিৰ্দেশনা জাৰি কৰিছে। এইক্ষেত্ৰত এপিডিচিএলে দাখিল কৰা আবেদনত ২০২৫-২৬ বৰ্ষৰ বাবে নতুন নিৰিখত সাধাৰণ গ্ৰাহকৰ কাৰণে বিদ্যুৎ মাচুল বৃদ্ধিত কোনো প্ৰস্তাৱ দাখিল কৰা নাছিল। গুৱাহাটীৰ ছয়মাইলস্থিত অসম বিদ্যুৎ নিয়ামক ভৱনত অনুষ্ঠিত এক সংবাদ মেলযোগে অধ্যক্ষগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে সকলো পক্ষৰ মতামত গ্ৰহণ কৰাৰ পাছত নতুন নিৰিখত সাধাৰণ ঘৰুৱা গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাচুল ১ টকাকৈ হ্ৰাস কৰাৰ নিৰ্দেশনা দিয়া হৈছে। উল্লেখ্য যে জীৱনধাৰাৰ (দহ পৃষ্ঠাত চাওক)

# ফিফা বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন আৰ্জেণ্টিনাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৬ চনৰ ফিফা বিশ্বকাপ ফুটবললৈ যোগ্যতা অৰ্জন কৰিলে আৰ্জেণ্টিনাই। ব্ৰাজিলৰ বিপক্ষে খেলা বিশ্বকাপ কোৱালিফায়াৰ মেচখন আৰ্জেণ্টিনাৰ বাবে সন্মান ৰক্ষাৰ যুঁজ হিচাপে পৰিণত হয়। বুয়েনছ আয়াৰ্ছত মঙলবাৰে নিশা অনুষ্ঠিত সন্মান ৰক্ষাৰ যুঁজৰ মেচখনত বিশ্ব চেম্পিয়ন আৰ্জেণ্টিনাৰ হাতত বিধ্বস্ত হয় ব্ৰাজিল। আৰ্জেণ্টিনাই একপক্ষীয় মেচখনত ব্ৰাজিলক ৪-১ গ’লত পৰাস্ত কৰে। লিঅ’নেল মেছি আৰু নেইমাৰৰ অনুপস্থিতিত দুয়োটা দলৰ মাজত যথেষ্ট পাৰ্থক্য দেখা গৈছিল। দক্ষিণ আমেৰিকাৰ বিশ্বকাপ কোৱালিফায়াৰ ৰাউণ্ডৰ গ্ৰুপত আৰ্জেণ্টিনাই এতিয়ালৈকে ১৪খন মেচৰ পৰা ৩১ পইণ্ট লাভ কৰি শীৰ্ষস্থান দখললৈ ২০২৬ চনত হ’বলগীয়া ফিফা বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰে। আৰ্জেণ্টিনাৰ উপৰি জাপান, নিউজিলেণ্ড আৰু ইৰানেও বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিছে। খেলখনৰ ৪ মিনিটত জুলিয়ান আলভাৰেজে গ’ল স্ক’ৰ কৰি আৰ্জেণ্টিনাক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। ১২ মিনিটত এনজো ফাৰ্নাণ্ডেজে গ’ল স্ক’ৰ কৰি ঘৰুৱা দলটোক ২-০ গ’লত অগ্ৰগতি প্ৰদান কৰে যদিও ২৬ মিনিটত ব্ৰাজিলে গ’ল স্ক’ৰ কৰি গ’লৰ ব্যৱধান ২-১লৈ হ্ৰাস কৰে। ব্ৰাজিলৰ হৈ মেথিউজ কুনহাই গ’লটো স্ক’ৰ কৰে। অৱশ্যে ৩৭ মিনিটত (দহ পৃষ্ঠাত চাওক)

# দ্বিতীয়খন মেচতো পৰাস্ত হ’ল ৰাজস্থান ৰয়েলছ



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলৰ নিজৰ দ্বিতীয়খন মেচতো পৰাজয়ৰ সন্মুখীন হয় ৰাজস্থান ৰয়েলছ। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হাতত পৰাস্ত হোৱাৰ পাছত চলিত আইপিএলৰ বৰ্ষাপৰাৰ এচিএ ষ্টেডিয়ামত অনুষ্ঠিত মেচখনতো ৰাজস্থান ৰয়েলছে ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত ৮ উইকেটত পৰাস্ত হয়। মেচখনত ঘৰুৱা দল ৰাজস্থানে জয়ৰ বাবে বান্ধি দিয়া ১৫২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অপেনাৰ কুইণ্টন ডি ক’কৰ দৰ্শনীয় অপৰাজিত অৰ্ধশতকৰ সহায়ত কলকাতাই ১৭.৩ অভাৰত দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। কলকাতাৰ আৰম্ভণি সুখকৰ নাছিল যদিও কুইণ্টন ডি ক’কে দায়িত্বশীল বেটিং দাঙি ধৰি দলৰ জয়ত মুখ্য ভূমিকা লয়। দলীয় স্ক’ৰ ৪১ ৰানত মঈন আলী আউট হোৱাৰ বিপৰীতে দলীয় স্ক’ৰ ৭০ ৰানত অধিনায়ক আজিংক্য ৰাহানেক হেৰুৱাইছিল কলকাতাই। অপেনাৰ মঈন আলীয়ে ৫ ৰানত ৰানআউট হোৱাৰ বিপৰীতে ৰাহানেই ১৮ ৰান কৰি বিদায় লয়। অৱশ্যে ডি ক’কে অংকুশ ৰঘুবংশীৰ সৈতে লগ লাগি তৃতীয় উইকেটত অপৰাজিতভাৱে ৮৩ ৰান সংগ্ৰহ কৰি দলক জয়ৰ সোৱাদ দিয়ে। ডি ক’কে ৬১টা বলত ৮টা চাৰি আৰু ৬টা ছয়েৰে ৯৭ ৰান (দহ পৃষ্ঠাত চাওক)

# লোক সংস্কৃতিৰ গৱেষক বিৰিঞ্চি কুমাৰ বৰুৱা



**বন্দিতা শৰ্মা কন্দলি**

মৰমৰ মইনাহঁত, তোমালোকে বিদ্যালয়, মহাবিদ্যালয়ৰ বা আন ৰাজহুৱা প্ৰেক্ষাগৃহ আদিক কোনো বিশেষ ব্যক্তিৰ নামেৰে নামাকৰণ কৰা দেখিবলৈ পাইছা নিশ্চয়! ইয়াৰ কাৰণ হৈছে সেই ব্যক্তিজনে সেই অনুষ্ঠানটোৰ প্ৰতি বা সেই অঞ্চলটোৰ প্ৰতি বা জাতিটোৰ প্ৰতি বিশেষ ভাৱে অৱদান আগবঢ়াই থৈ গৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহটো এজন বিশেষ ব্যক্তিৰ নামেৰে নামাকৰণ কৰা আছে। সেইজন হৈছে বিৰিঞ্চি কুমাৰ বৰুৱা।

১৯০৮ চনৰ ১০ নৱেম্বৰত নগাঁও জিলাৰ পুৰণিগুদামৰ খৰঙীচুক অঞ্চলত বিৰিঞ্চি কুমাৰ বৰুৱাৰ জন্ম হৈছিল। তেওঁ নগাঁৱৰ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি নগাঁও চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা ১৯২৮ চনত কলিকতা বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পিছত কলিকতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা ১৯৩০ চনত প্ৰথম বিভাগত আই এ আৰু ১৯৩২ চনত পালি ভাষাত অনাৰ্ছসহ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ ১৯৩৪ চনত পালি ভাষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু ১৯৩৬ চনত বি এল ডিগ্ৰী লাভ কৰে। ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ শিক্ষকতা কৰে আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যপুথিৰ বাবে কেইবাখনো কিতাপ ৰচনা কৰে। তেওঁ বীণা বৰুৱা ছদ্মনামেৰে 'জীৱনৰ বাটত' আৰু ৰাস্না বৰুৱা ছদ্মনামেৰে 'সেউজী পাতৰ কাহিনী' উপন্যাস লিখিছিল। ১৯৪৫ চনত তেওঁ উচ্চ শিক্ষাৰ বাবে লণ্ডনলৈ যায় আৰু ১৯৪৭ চনত অসমৰ সাংস্কৃতিক ইতিহাস বিষয়ত গৱেষণা কৰি লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

তাৰ পিছত তেওঁ অসমলৈ ঘূৰি আহে আৰু কটন কলেজত অসমীয়া ভাষাৰ অধ্যাপক হিচাপে যোগদান কৰে। তেওঁৰ প্ৰচেষ্টাত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰে আৰু তাৰ অসমীয়া বিভাগৰ ৰিডাৰ হিচাপে যোগদান কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়খনক মনে-প্ৰাণে ভাল পাইছিল আৰু জাকত -জিলিকা কৰি তুলিছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হৈছিল আৰু শেষত কলাগুৰু হিচাপে অৱসৰ গ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতি থকা ধাউতিৰ বাবেই তেওঁৰ প্ৰতি সন্মান জনাই "বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহ" নিৰ্মাণ কৰিছিল।

তেওঁ আৱাহন, জয়ন্তী, সুৰভি, সাহিত্য সভাৰ পত্ৰিকা আদি আলোচনী আৰু গৱেষণামূলক পত্ৰিকাত প্ৰবন্ধ -পাতি লিখাৰ উপৰিও ৰংঘৰ আৰু দৈনিক নতুন অসমীয়াৰ প্ৰতিস্থাপক সম্পাদক আছিল। তেওঁ 'অৰুণ' আৰু 'সুৰভি' নামৰ দুখন শিশু আলোচনীৰ সম্পাদক আছিল। তেওঁ কেইবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত জাতকমালা, চুইজাৰলেণ্ড ভ্ৰমণ, পুৰণি অসমীয়া কথা সাহিত্য, এবেলাৰ নাট, অসমীয়া ভাষা আৰু সাহিত্য, ভাৰত বুৰঞ্জী আদি। ১৯৬৪ চনত 'অসমৰ লোক সংস্কৃতি' নামৰ গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। এইজনা মহান ইতিহাসবিদ, ভাষাবিদ, লোক সংস্কৃতিৰ গৱেষকৰ ১৯৬৪ চনৰ ৩০ মাৰ্চত গুৱাহাটীত পৰলোক প্ৰাপ্তি ঘটে।

# চেন্নাই এপ'ল হস্পিটেলত




**ইভা গন্ধীয়া ফুকন**

সিদিনা মই চেন্নাই এপ'ল হস্পিটেলত আছিলোঁ
হস্পিটেলৰ প্ৰবেশ পথত
ধুতি পায়জামা ডিঙিত ফুলাম গামোচাৰে
এজন সুদৰ্শন পুৰুষ
হাতযোৰ কৰি কৰি আদৰণি জনায়
যেন ভি আই পিহে আমি
লগত ৰোগী লৈ ডাক্তৰৰ অপেক্ষাত
ৰিছিপচনিষ্টে ক'লে ডাক্তৰ আহিল
সোমাই গ'লো ডাক্তৰৰ চেম্বাৰত
সোমাইয়ে জনালোঁ সম্ভাষণ গুড্ মৰ্নিং
প্ৰতি সম্ভাষণ গুড্ মৰ্ণিং
হিন্দীতে বাৰ্তালাপ
পেকেজ লৈ চিকিৎসা কৰাৰ সুবিধা বুজালে
ডাক্তৰৰ কথাত ভোলগৈ কৰিলো হা
ৰোগীৰো অৱস্থা ভাল বুলি ক'ব নোৱাৰা
আহিল ফৰ্ম ভৰ্তিৰ পাল
মহা বুৰ্ববকৰ দৰে একো নপঢ়ি
কৰিলো ফৰ্মত চহী
কেতিয়াবা মহা বুৰ্ববকৰ দৰে চহী কৰিও ভাল লাগে
কেতিয়াবা নিৰ্বোধ হৈ ভাল লাগে
আমি যে দুৰণিবটীয়া
উদেশ্য যিমান সোনকালে পাৰি
ৰোগীক ভাল কৰি নিয়া
পঠালে সন্মুখৰ হেল্‌থকেয়াৰ বিলডিংলৈ
উঠি গ'লো লিফটেৰে এক নং ফ্লৰলৈ
ভিৰ ফালি এটাৰ পাছত এটাকৈ কৰালো পৰীক্ষা
নাম কেতিয়া মাতিব বুলি অপেক্ষা কৰি কৰি
এক বজাত ৰোগীক বোলে খোৱাব লাগে
আনিলে তলৰ কেণ্টিনলৈ
তাতে দিলে চেন্নাইৰ আহাৰ
খাই হ'ল পেট টুলটুলীয়া
আকৌ বাকী থকা পৰীক্ষা কৰা
দিনটো শৰীৰৰ সকলো পৰীক্ষা কৰি
ৰিপোৰ্ট বোলে পাছদিনা ইয়াতে পাবা
সকলবিলাক তাৎক্ষণিক
তাতে লগ পালো বহু অসমীয়া
তেতিয়া ভাবিবলৈ বাধ্য হ'লো
অসমৰ চিকিৎসা সেৱাৰ কথা।

# আমাৰ জীৱনত ভুলৰ প্ৰয়োজনীয়তা আছেনে?



**সংযুক্তা দত্ত, মিছামৰা**

'কেতিয়াও ভুল নকৰাৰ ওপৰত সফলতা নিৰ্ভৰ নকৰে। সফলতা নিৰ্ভৰ কৰে একেটা ভুলকে বাৰে বাৰে নকৰাৰ অভ্যাসটোৰ ওপৰতহে।' - জৰ্জ বাৰ্নাৰ্ড শ্ব।

মানুহ মাত্ৰেই ভুল। গতিকে ভুল হোৱাটো স্বাভাৱিক। প্ৰত্যেকজন ব্যক্তিৰে জীৱনত কিবা নহয় কিবা এটা ভুল নিশ্চয় হৈছে। মানুহক ভুলেহে এটা শুদ্ধ পথ দেখুৱাব পাৰে। ভুল আমাৰ অজানিতে হয়। কিন্তু আমি কেতিয়াও বাৰে বাৰে একেটা ভুলকে কৰি থাকিব নালাগে। আমি কৰা ভুলটো যদি আনৰ চকুত ধৰা পৰে তেতিয়া নিশ্চিতভাৱে শুদ্ধ হৈ যাব। যদি আমি নিজৰ ভুলটো নিজে ধৰা পেলাব পাৰোঁ তেনেহ'লে ভৱিষ্যতে আমি ভুল কৰাৰ সম্ভাৱনা নাথাকিব। ইয়াৰ বিপৰীতে, আমি কৰা ভুলটো যদি আমাৰ চকুত সহজতে ধৰা নপৰে বা আমি আমাৰ ভুল স্বীকাৰ কৰিব নিবিচাৰোঁ, তেনেহ'লে কিন্তু আমি অনাগত দিনত আৰু ভুল কৰিয়েই থাকিম। ভুল হোৱাটো ডাঙৰ কথা নহয়। নিজৰ ভুলটো নিজে মানি ল'ব পৰাটোহে আটাইতকৈ ডাঙৰ কথা। আমাৰ জীৱনত ভুলৰ প্ৰয়োজন আছে। কাৰণ ভুল নকৰা ব্যক্তি এজনে কেতিয়াও নতুন নতুন কথা শিকিব নোৱাৰে। নতুন বিষয়ৰ লগত চিনাকি হ'বলৈ হ'লে আমি প্ৰথমে ভুলেই কৰিব লাগিব। আমি সেই ভুলৰ দ্বাৰাহে শুদ্ধ পথলৈ যাব পাৰিম। মুঠৰ ওপৰত আমাৰ ভুলবোৰ আমি শুধৰাব লাগিবই।

মহান তথা সফল ব্যক্তিসকলেও কোনো এটা কাম এবাৰতে কৰি সফল হোৱা নাই। তেওঁলোকে একেটা ভুলকে বাৰে বাৰে কৰা নাছিল। তেওঁলোকে এটা কামকে ভুলৰ পৰা শিক্ষা লৈ একাগ্ৰতাৰে কৰি গৈছিল। সেইকাৰণে তেওঁলোকৰ নাম আজিও সোণালী আখৰেৰে ইতিহাসৰ পাতত লিখা আছে।

সেয়েহে আমি প্ৰত্যেকজনেই ওপৰত উল্লেখ কৰা জৰ্জ বাৰ্নাৰ্ড শ্বৰ অতি গুৰুত্বপূৰ্ণ তথা মূল্যৱান কথাষাৰ মনত ৰাখি কাম কৰি যোৱা উচিত।

# বিশ্বনাথ ঘাটঃ অসমৰ গুপ্ত কাশীৰ এক মনোমোহক বৰ্ণনা



**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

বিশ্বনাথ ঘাট, অসমৰ এক অপূৰ্ব সৌন্দৰ্য্যমণ্ডিত স্থান। ই বিশ্বনাথ চাৰিআলিৰ, ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত। এই ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ঐতিহাসিক গুৰুত্ব দুয়োটা সমানভাৱে উল্লেখযোগ্য। ব্ৰহ্মপুত্ৰৰ পাৰত বিস্তাৰিত এই অঞ্চলটো প্ৰকৃতিৰ স্নিগ্ধ সৌন্দৰ্য্য, গধূলিৰ ৰঙা আভাৰ সূৰ্যাস্তৰ মনোমোহক দৃশ্য আৰু শান্ত পৰিবেশৰ বাবে পৰ্যটকসকলৰ বাবে এক আদৰ্শস্থান।

বিশ্বনাথ ঘাটক বহুতে "গুপ্ত কাশী" বুলিও কয়, কিয়নো ইয়াত বহুকেইটা প্ৰাচীন শিৱ মন্দিৰৰ অৱশেষ পোৱা যায়। বিশেষকৈ বিশ্বনাথ মন্দিৰ, যি মহাদেৱৰ উপাসনাৰ সৈতে জড়িত, ইয়াক এক আস্থাৰ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়। নদীৰ পাৰত থকা এই মন্দিৰবিলাক আৰু ইয়াৰ আশে পাশে থকা মনোমোহা পৰিৱেশে এক আধ্যাত্মিক অনুভূতিৰ অনুভৱ কৰোৱায়।

এই অঞ্চলটো প্ৰকৃতিৰ অপূৰ্ব কৃপাত ভৰা। ব্ৰহ্মপুত্ৰৰ গভীৰ নীল জলধাৰা, কাষৰ বালিৰ সৰু-সৰু দ্বীপ, প্ৰকাণ্ড শিলবোৰ আৰু শীতৰ দিনত আহি থকা নানান জাতিৰ চৰাইৰ মেলাই ইয়াৰ সৌন্দৰ্য্য বহু গুণ বঢ়াই তোলে। বেলি পৰাৰ সময়ত নদীৰ পানীত পৰি থকা সূৰ্যৰ ৰঙীন আভাটোৱে আশ্চৰ্যজনক দৃশ্য সৃষ্টি কৰে। স্থানীয়সকলে নাওঁৰ সহায়ত নদীৰ বুকুত ভ্ৰমণ কৰে, যিয়ে বিশ্বনাথ ঘাটৰ সৌন্দৰ্য্য উপভোগ কৰাৰ এক অপূৰ্ব সুযোগ দিয়ে।

ডিচেম্বৰ - জানুৱাৰী মাহত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটকৰ আগমণ ঘটে । বালিৰ বুকুত পিকনিক খায়। হাঁহি - আনন্দৰে ব্ৰহ্মপুত্ৰৰ বুকুৰ পানীৰ ঢেওক নচুৱাই যায়। বাৰিষা নদীৰ পানী বাঢ়ি আহিলে প্ৰায়বোৰ শিল ডুবি যায়, কিন্তু কিছুমান শিল আছে কেতিয়াও ডুব নাযায়।

স্থানীয় সংস্কৃতি আৰু পৰম্পৰা ইয়াৰ অন্যতম বৈশিষ্ট্য। এই ঠাইৰ ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্য বহু প্ৰাচীন। ইয়াত হোৱা লোকউৎসৱ, পুৰা-গধূলি মন্দিৰত হোৱা শঙ্খ আৰু ঘণ্টাধ্বনি, আৰু স্থানীয় খাদ্য সংস্কৃতিয়ে পৰ্যটকসকলক আকৰ্ষিত কৰে। বহুতে এই স্থানত আহি মানসিক শান্তি অনুভৱ কৰে আৰু ব্ৰহ্মপুত্ৰৰ পাৰতে অলপ সময় কটাই নিজকে নতুনকৈ অনুভৱ কৰে।


বিশ্বনাথ ঘাট কেৱল এখন পৰ্যটন স্থান নহয়, ই এক অনুভৱ, এটি আৱেগ, বিশ্বনাথ বাসীৰ বাবে গৌৰৱৰ সম্পদ। সৌন্দৰ্য্য, পবিত্ৰতা আৰু প্ৰাকৃতিক শোভাই ইয়াক অসমৰ অন্যতম আকৰ্ষণীয় গন্তব্যস্থল হিচাপে গঢ়ি তুলিছে।

বিশ্বনাথ ঘাটৰ সন্মুখতে ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত অৱস্থিত উমাতুমনি দ্বীপ এটি অপূৰ্ব সৌন্দৰ্য্যপূৰ্ণ স্থান। বিশ্বাস অনুসৰি, এসময়ত ইয়াত বহুতো শিৱ মন্দিৰ আৰু ধৰ্মীয় প্ৰতিষ্ঠান আছিল। বৰ্তমান এই দ্বীপখনত সেই প্ৰাচীন মন্দিৰবোৰৰ অৱশেষ পোৱা যায়, যি ইয়াৰ ঐতিহাসিক গুৰুত্ব প্ৰমাণ কৰে। মন্দিৰবোৰৰ শিলৰ ভগ্নাৱশেষ আৰু বিভিন্ন শিৱলিঙ্গ এতিয়াও ইয়াৰ প্ৰত্নতাত্ত্বিক মূল্যবান নিদৰ্শন হিচাপে ঠিয় হৈ আছে।

এই দ্বীপখন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা। নদীৰ মাজত অৱস্থিত হোৱাত ই একান্তই শান্ত আৰু প্ৰশান্তিপূৰ্ণ স্থান। দ্বীপখনত শীতৰ দিনত বিভিন্ন শীতকালীন পৰিভ্ৰমণকাৰী চৰাই আহে, যিয়ে ইয়াৰ পৰিবেশলৈ এক সজীৱতা যোগায়।

উমাতুমনি দ্বীপলৈ বিশ্বনাথ ঘাটৰ পৰা নাওঁযোগে যোৱা যায়। এই নাওঁভ্ৰমণ নিজেই এক অভূতপূৰ্ব অভিজ্ঞতা, কিয়নো নদীৰ বুকুৰে গৈ এই দ্বীপখনৰ সান্নিধ্য পাব পাৰি। প্ৰকৃতিৰ কোলাত অৱস্থিত এই দ্বীপত সময় কটোৱাটো এক অনন্য অনুভৱ, যি যিকোনো পৰ্যটক বা ধৰ্মপ্ৰাণ ব্যক্তিক আত্মিক শান্তি দিয়ে। বিশ্বনাথ ঘাট, উমাতুমনি দ্বীপ আৰু ইয়াৰ সৈতে জড়িত প্ৰাচীন কাহিনীবোৰ মিলি এক অপূৰ্ব ঐতিহ্য গঠন কৰিছে। ই কেৱল পৰ্যটনৰ বাবে নহয়, বৰঞ্চ অসমীয়াৰ ধৰ্মীয় আৰু সাংস্কৃতিক ইতিহাসৰ এক মূল্যবান অংশ।

# বসন্তৰ আগমনৰ বাৰ্তা



**ছেলিমা বেগম, নগাওঁ**

ঋতু আহে আৰু ঋতু যা,
শীত ঋতু গৈ গৈ বসন্তৰ
আগমনৰ বাৰ্তা আনি দিলে
সকলো ঋতুৰ পূজাৰী
তুমি আমি জানো ।
বসন্ত তোমাক আদৰিবলৈ ৰৈ আছে,
জগত জিলিকি আহিলা তুমি
ফাল্গুনি নঠঙা কৰি থৈ যোৱা বৃক্ষ, বিৰিণা
আশাৰে বাট চাই আছে
তোমালৈ নতুন যৌৱন পাবলৈ ।
ন ন কুঁহি পাতেৰে নতুন পিন্ধিলে বৃক্ষ,
নতুন পিন্ধি কন্যা সাজিলে নিজকে
আমে মলিয়ালিই, কঁঠালে মুচি দিলে
ধৰণী খন জাক -জমক্ কৰি তুলিছে ।
বসন্তৰ ৰাজ ৰাণী আহিলে ধৰণী লৈ
দেৱদাৰুৱে নতুন পিন্ধিলে বসন্তক পাই
নাহৰ, কপৌ, এজাৰ ৰৈ আছে তোমালৈ
কুলি গীত গাবলৈ ধৰিলে
কু-উ, কু -উ বুলি।
বসন্তক পাই কেতেকী ভাই ইনাই-বিনাই
গীত গাবলৈ ধৰিলে নিজৰ ধৰ্ম পালন কৰি
অ'কেতেকী, অ'কেতেকী, অ'কেতেকী
বসন্তৰ আগমনৰ বাৰ্তা পাই
আমি আহিছোঁ সাজি, কাচি ।

# নিজৰ ঘৰ-পৰিয়ালৰ মানুহখিনিৰ বাহিৰে আনৰ কথা ভবা মানুহৰ সংখ্যা কম



**শৈলেন কুমাৰ, মিৰ্জা**

আমি বৰ্তমান যান্ত্ৰিক আৰু কৃত্ৰিম ভাৱধাৰা লৈ চলিবলৈ আৰম্ভ কৰিছোঁ ।বৰ্তমান নিজস্ব ঘৰ-পৰিয়ালৰ মানুহখিনিৰ বাহিৰে আনৰ কথা ভবা অথবা চিন্তাচৰ্চা কৰিবলৈ আমাৰ আহৰি নাই । যিটো আমি সাধাৰণতে মানৱতাৰ স্খলন বুলি পৰিহিত কৰিব পাৰোঁ। কেৱল ব্যক্তিগত চিন্তাধাৰা, নিজস্ব হিতৰ চিন্তাই আমাক শোষিত তথা গুলামীৰ ফালে প্ৰক্ষেপিত কৰিছে। আমি নিজস্ব হিতৰ চিন্তা কৰি নিজস্বতা হেৰুৱাই পেলাইছোঁ। আনক প্ৰত্যাহ্বান জনাই, আনক হিংসা, ঈৰ্ষা কৰি নিজে নিজৰ প্ৰত্যাহ্বান হৈ পৰিছোঁ । আমি নিজক ওপৰত উঠোৱাৰ বাবে আনক তললৈ নমোৱাব বিচাৰোঁ । কাৰো প্ৰতি কাৰো হৃদয়ত দয়ামমতা নাই, কেৱল স্বাৰ্থৰ বাবেহে মুখত হাঁহি আৰু সহ্য কৰিব নোৱাৰিলে মুখত গালি ।উত্তেজিত ভাবে উনমাদনাত লিপ্ত হৈ কেৱল দৌৰিছোঁ অবিনাশী কল্পনাৰ হাবিয়াসত। কিয় দৌৰিছোঁ, কি কাৰণে দৌৰিছোঁ, লক্ষ্য কি ? থমকি ৰৈ ভাবি চাবলৈ আমাৰ আহৰি নাই । সাগৰৰ ঢৌবোৰৰ দ্বৰে এটাৰ পাছত আনটো উঠিছে আৰু নামিছে, বিলীন হৈছে বিশাল সাগৰত চিনচাব ক'ত নাই । আমাৰো জীৱনবোৰ ঠিক সেই সাগৰৰ ঢৌবোৰৰ দ্বৰে এটাৰ পাছত আনটো প্ৰবাহিত হৈছে আৰু শেষত শূন্যতাৰ সাগৰত বিলীন হৈছে । কিন্তু জোৱাৰভাটা সৃষ্টিকাৰী বিশালতা হৃদয়ত নাই । ক্ষুদ্ৰ, সংকোচিত, ঠেক মনোভাৱলৈ বিশাল সাগৰৰ মাজত অস্তিত্বৰ অনুসন্ধানত অহৰহ চেষ্টা চলাই আছোঁ, জানোবা কোনোবাই অলপ সঁহাৰি জনাই, অলপ প্ৰশংসা কৰেই যাৰ সহায়ত আমি অমানৱীয় নিৰ্দয়ভাৱে অট্টহাস্য কৰিব পাৰোঁ। কথাবোৰ এনেধৰণৰ হয় কাটি আছোঁ ঘোঁৰাৰ ঘাঁহ কল্পনা সপোনবোৰ ৰজাঘৰীয়া। ময়েই শ্ৰেষ্ঠ মোৰ বাহিৰে অদ্বিতীয় আৰু কোনো নাই, অহংকাৰৰ চিৎকাৰ। ৰজাৰ কল্পনাৰ ৰাজ্যত নিগনী এটাও হাতীৰ সদৃশ। ৰজাই ৰামৰাজ্য স্থাপন কৰিছে, প্ৰজাগণে ৰাজ্যখন ৰজাৰ জয়ধ্বনিৰে মুখৰিত কৰিছে। উনমুক্ত ৰজাৰ প্ৰজাগণ নিচাসক্ত, অসচেতন মনলৈ সচেতন দেখুৱাবলৈ আমাৰ অংগীমা- ভংগীমা। মানৱজাতিৰ আজি মানৱতাৰ স্খলন, নিজৰ মাজত নিজক বিচাৰি হাবাথুৰি খাই হায়ৰান ।

অসম চৰকাৰ
ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ

খেল মহাৰণ maharan



ৰাজ্যিক পৰ্যায়ৰ খেলৰ শুভাৰম্ভণি

# খেল মহাৰণ ২.০

অসমৰ শ্ৰেষ্ঠ খেলুৱৈসকল সাজু হৈছে
অন্তিম প্ৰত্যাহ্বানৰ বাবে

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

JANASANYOG- 5082/24/30-March-24



খেল মহাৰণ ২.০-ৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অসমৰ শ্ৰেষ্ঠ খেলুৱৈসকলে ২ এপ্ৰিল ২০২৫ তাৰিখৰ পৰা গুৱাহাটীত একাধিক শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সন্মান লাভৰ বাবে প্ৰতিযোগীসকলে প্ৰদৰ্শন কৰা দক্ষতা, ধৈৰ্য আৰু খেলুৱৈসুলভ মানসিকতাৰ সাক্ষী হ'বলৈ সাজু হওক।

স্থান: গুৱাহাটী | প্ৰতিযোগিতাৰ তাৰিখ: ২ এপ্ৰিল – ৬ এপ্ৰিল ২০২৫

## ক্ৰীড়াৰ শাখা আৰু স্থান

### সৰুসজাই ক্ৰীড়া প্ৰকল্প, নেহৰু ষ্টেডিয়াম, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ কমপ্লেক্স আৰু এল.এন.আই.পি.ই., সোণাপুৰ

**এথলেটিকছ** – ১,১৭৭ গৰাকী খেলুৱৈ - ২, ৩ আৰু ৪ এপ্ৰিল ২০২৫
(অনূৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ, উৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ)

**ফুটবল** – ১,৬৮০ গৰাকী খেলুৱৈ - ২, ৩, ৪, ৫ আৰু ৬ এপ্ৰিল ২০২৫
(অনূৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ, উৰ্দ্ধ-১৭ পুৰুষ)

**ভলীবল** – ১,৬৮০ গৰাকী খেলুৱৈ - ৪, ৫ আৰু ৬ এপ্ৰিল ২০২৫
(অনূৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ, উৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ)

### ডাঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্স

**সাঁতোৰ** – ১১১ গৰাকী খেলুৱৈ - ২ আৰু ৩ এপ্ৰিল ২০২৫
৫০ মিটাৰ/১০০ মিটাৰ ফ্ৰিষ্টাইল, ৫০ মিটাৰ/১০০ মিটাৰ বেকষ্ট্ৰোক
(অনূৰ্দ্ধ-১৪ মহিলা আৰু পুৰুষ, অনূৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ)

### নেহৰু ষ্টেডিয়াম, আৰ.জি. বৰুৱা স্পৰ্টচ্ কমপ্লেক্স

**কাবাডী** – ১,৬৮০ গৰাকী খেলুৱৈ - ২, ৩ আৰু ৪ এপ্ৰিল ২০২৫
(অনূৰ্দ্ধ-১৬ মহিলা আৰু পুৰুষ, অনূৰ্দ্ধ-২০ মহিলা আৰু পুৰুষ)

### চাকনিবাৰী ঘাট, তেতেলিয়া

**চাইকেল প্ৰতিযোগিতা** – ৪২০ গৰাকী খেলুৱৈ - ৫ আৰু ৬ এপ্ৰিল ২০২৫
(অনূৰ্দ্ধ-১৪ মহিলা আৰু পুৰুষ, অনূৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ, উৰ্দ্ধ-১৭ মহিলা আৰু পুৰুষ)

### কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই

**দবাখেল** – ৩৫০ গৰাকী খেলুৱৈ - ২ আৰু ৩ এপ্ৰিল ২০২৫

## এই প্ৰতিযোগিতাৰ গৌৰৱ ধ্বজা উৰুৱাবলৈ সাজু হৈছে মুঠ ৭,০৯৮ গৰাকী খেলুৱৈ

*অংশগ্ৰহণকাৰীসকলে এতিয়া **https://dsywassam.com/khel/** -ত লগ-অন কৰি তেওঁলোকৰ পঞ্জীয়ন নম্বৰ বা নাম পূৰণ কৰি পি.এম.অ'.-অনুমোদিত অংশগ্ৰহণ প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰিব*

*আপোনাৰ অংশগ্ৰহণ প্ৰমাণপত্ৰ ডাউনলোড কৰিবলৈ কিউ.আৰ. ক'ড স্কেন কৰক*

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

যোৰাখণ্ডৰ পৰা...

# কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ মনস্তত্ত্বৰ প্ৰতিফলন

টুনুজ্যোতি গগৈ

সি যি নহওক, এতিয়া প্ৰাপ্তবয়স্কৰ বাবে অসমীয়া ভাষাত ৰচিত অসমীয়া উপন্যাসত কিশোৰ মনস্তত্ত্ব কেনেদৰে প্ৰতিফলন ঘটিছে, সেয়া দুটিমান উদাহৰণ দি চমুৱাই আলোচনা কৰা হওক।

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ‘মিৰি জীয়ৰী’ উপন্যাসখনত জংকিপানেইয়ে কৈশোৰত পৰস্পৰৰ প্ৰতি অনুভৱ কৰা মানসিক আকৰ্ষণ বৰ্ণিত হোৱাৰ বিপৰীতে মনোমতী উপন্যাসত কিশোৰী মনোমতীয়ে বাইছ বছৰীয়া এজন অচিন আৰু যৌৱনদীপ্ত যুৱকৰ প্ৰতি প্ৰথম দৰ্শনতে অনুভৱ কৰা দুৰ্বাৰ আকৰ্ষণ বৰ্ণিত হৈছে। সেই আকৰ্ষণে মনোমতীক অস্থিৰতাত ভোগাইছে আৰু তেওঁ চঞ্চল মন বান্ধিবলৈ কীৰ্তন পুথি মেলি লৈছে। কিন্তু, মনোমতীয়ে কীৰ্তন পুথিত মন বান্ধিব পৰা নাই। মনোমতীয়ে দেহজ প্ৰেমক ভগৱদ প্ৰেমলৈ উত্তৰণ ঘটাব নোৱাৰা প্ৰসংগটোৰ জৰিয়তেই ঔপন্যাসিকে উপন্যাসখনত কিশোৰ মনস্তত্ব সুন্দৰকৈ ফুটাই তুলিছে।

বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱাৰ ছদ্মনামত লিখা জীৱনৰ বাটত উপন্যাসত প্ৰাণৱন্ত কিশোৰী তগৰৰ দেহ-মন বিয়া খাবলৈ অহা কমলাকান্তৰ সান্নিধ্যই আচ্ছন্ন কৰি পেলাইছে। তগৰে তাইৰ মৰমৰ প্ৰতীকৰূপে নিজহাতে ফুল তোলা টেবুল ক্লথ এখন কমলাকান্তক উপহাৰ দিওঁতে, কমলাকান্তই আৱেগৰ তাড়নাত হঠাতে নিজৰ হাতৰ আঙুঠিটো খুলি তগৰক পিন্ধাই দিছে। কিন্তু, তগৰে তাইৰ প্ৰেমৰ তেনে অপ্ৰত্যাশিত স্বীকৃতি লাভ কৰি আৱেগত উঠলি উঠা নাই, বৰং পুৰুষতান্ত্ৰিক সমাজখনৰ কথা ভাবি আতংকিত হৈ সুধিছে-‘আপুনি মোৰ সৰ্বনাশ কৰিলে কিয়?’

ৰাস্না বৰুৱাৰ ছদ্মনামত লিখা বৰুৱাৰ সেউজী পাতৰ কাহিনীৰ দুটি উল্লেখযোগ্য কিশোৰ চৰিত্ৰ হ’ল- নৰেশ্বৰ আৰু চনিয়া। গ্ৰাম্য সমাজৰ মিছা যৌন অপবাদ সহিব নোৱাৰি ঘৰৰ পৰা ওলাই অহা, ঘটনাক্ৰমে চাহ বাগিছাৰ চাহাবৰ বঙলাত লগুৱা হোৱা আৰু শেষ মুহূৰ্তত স্বামী উপেক্ষিতা এলী চেইমুৰৰ যৌনক্ষুধা পূৰণ কৰিবলৈ অপৰাগতা প্ৰকাশ কৰা নৰেশ্বৰ মানসিকভাবে ক্ষত-বিক্ষত হৈ পৰিছে। সেইদৰে, ইংৰাজ চাহাবৰ ঔৰষত আৰু বনুৱা যুৱতীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা নৰেশ্বৰৰ প্ৰেয়সী চনিয়াই চাহ বাগিচাৰ শ্ৰমিকৰ ওপৰত মালিকপক্ষই ইংৰাজ চাহাবৰ ঔৰষত আৰু বনুৱা যুৱতীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা নৰেশ্বৰৰ প্ৰেয়সী চনিয়াই চাহ বাগিচাৰ শ্ৰমিকৰ ওপৰত মালিকপক্ষই চলোৱা শোষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰি নাৰীবাদী চৰিত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ঔপন্যাসিকে এই দুটি চৰিত্ৰৰ মনস্তত্ব আৰু সুন্দৰকৈ ফুটাই তোলাৰ অৱকাশ আছিল। তেনেদৰে, চৈয়দ আব্দুল মালিকেও সূৰুযমুখী স্বপ্নত গুলচৰ প্ৰণয়প্ৰাৰ্থী কিশোৰী তৰাৰ মনোবেদনাক বিশেষ গুৰুত্ব নিদিলে।

পশুপতি ভৰদ্বাজে উড়ন্ত মেঘৰ ছাঁ(১৯৬০) উপন্যাসখনত সন্তানহীনা দোকাননীৰ মাতৃসুলভ মমতা আৰু দেহজ তাড়না সুন্দৰভাবে ফুটাই তুলিলেও সুন্দৰী দোকননীৰ প্ৰশয় লাভ কৰা কিশোৰ পৰমাৰ মনৰ খবৰ তেনেকৈ নিদিলে। দোকাননীয়ে পৰমাক সততে স্বামীৰ মাৰ-ধৰ, গালি-শপনিৰ পৰা বচাই ৰাখিছিল আৰু মাতৃসুলভ স্নেহ-মমতাৰ আদৰি ৰাখিছিল। কিন্তু, পৰমাই তেওঁক ‘মা’ বুলি সম্বোধন কৰিব বিচাৰিলে তেওঁ আপত্তি দৰ্শাইছিল। দোকাননীৰ এই আপত্তিৰ আঁৰত যে তেওঁৰ অৱদমিত দেহজ তাড়নাই ক্ৰিয়াশীল হৈ আছিল, তাত সন্দেহ নাই। দোকাননীৰ আপত্তিয়ে পৰমাৰ কিশোৰ মনত সৃষ্টি কৰা প্ৰতিক্ৰিয়াক ঔপন্যাসিকে যথাযথভাৱে বিশ্লেষণ কৰিবলৈ সক্ষম নহ’ল।

পদ্ম বৰকটকীৰ খবৰ বিচাৰিউপন্যাসত অভিজাত অসমীয়া পৰিয়ালৰ কিশোৰী নীলাৰ দৈহিক- মানসিক পৰিৱৰ্তন যথাযথভাৱে বৰ্ণিত হৈছে। ফুল এপাহ দৌৰি চিঙিবলৈ যাওঁতে আদবাটতে ৰৈ ‘আজিকালি দৌৰিলে বুকুখন বৰ লাজ লগাকৈ ল’ৰে’ বুলি ভবা, পুৱা শুই উঠি নিজৰ দৈহিক পৰিৱৰ্তন প্ৰত্যক্ষ কৰি লজ্জিত হোৱা, হোষ্টেলত বিবাহিতা ছাত্ৰীৰ ফুলশয্যাৰ নিশাৰ কাহিনী শুনি ৰোমাঞ্চিত হোৱা নীলা চৰিত্ৰটিৰ মাজত বৰ্তমান প্ৰজন্মৰ কিশোৰীয়েও নিজকে বিচাৰি পাব। বৰকটকীৰ দুষ্মন্তৰ চুমা উপন্যাসখনত কিশোৰী মিতা চলিহাৰ অস্বাভাৱিক আচৰণৰ জৰিয়তে ফ্ৰয়েডৰ ‘ইলেক্টা কমপ্লেক্স’ প্ৰতিফলিত হৈছে বুলি একাংশ সমালোচকে ক’ব খোজে। কলেজলৈ জাকজমক পোছাক-পৰিচ্ছেদ আৰু উগ্ৰ প্ৰসাধনেৰে বিভূষিতা হৈ যোৱা মিতাই পুৰুষ বন্ধুসকলৰ পৰা নিজকে সচেতনভাৱে আঁতৰাই ৰাখিছিল, যাতে কোনেও তেওঁৰ কাষ চাপিব নোৱাৰে। তেওঁ দেউতাককহে খুব ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। দেউতাকৰ আকস্মিকভাৱে মৃত্যু হোৱাত মিতাই চিঞৰি চিঞৰি কন্দা নাছিল, কিন্তু দুদিন একেথৰে বিছনাত পৰি থাকিল। অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত সম্ভৱতঃ মিতা চৰিত্ৰটোৱে একমাত্ৰ পিতৃ-নিবদ্ধ নাৰী চৰিত্ৰ।

আলোচনাৰ শেষত ক’ব পাৰি যে বৰ্তমানৰ শিশু-কিশোৰক সমাজ সাপেক্ষে গঢ়ি তোলাটো সময়ৰ দাবী। সেই দাবী পূৰণ কৰিবলৈ হ’লে অসমীয়া ভাষাত পৰ্যাপ্ত পৰিমাণে কিশোৰ সাহিত্য সৃষ্টি হ’ব লাগিব। কিশোৰ সাহিত্যিকসকলে লক্ষ্য কৰিব লাগিব যে আধুনিক কিশোৰ সকলৰ মন তথাকথিত সুশীল সমাজখনে নিৰ্ধাৰণ কৰি দিয়া ‘ভদ্ৰতা’, ‘নম্ৰতা’, ‘দায়িত্ববোধ’ আদিৰ অনুশীলনৰ মাজতে আবদ্ধ কৰি ৰাখিলে নহ’ব; তেওঁলোকক আবিল সমাজখনৰ অস্বাভাৱিকতা, অমানুষিকতা, অন্যায়-অত্যাচাৰৰ বিৰুদ্ধেও সজাগ কৰি তুলিব লাগিব।

বৰ্তমান পুঁজিবাদী সভ্যতাই মানৱীয় সম্বন্ধ আৰু মূল্যবোধৰ ভেটি চপৰা-চপৰকৈ খহাই নিছে। সমাজত সৎ, নিঃস্বাৰ্থ, কৰ্তব্যপৰায়ণ মানুহৰ খুবেই অভাৱ ঘটিছে। এনে পৰিস্থিতিত এখন মানৱীয় মূল্যবোধ সম্পন্ন নতুন সমাজ গঢ়াৰ ক্ষেত্ৰত কিশোৰ সাহিত্যই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে। ১৯২০ চনতেই বিশ্ববন্দিত সাহিত্যিক মেক্সিম গৰ্কীয়ে সাহিত্যিকসকলক এনেধৰণৰ সৃষ্টিমূলক কাহিনী লেখিবলৈ আহ্বান জনাইছিল, যিবোৰ সাহিত্য পাঠ কৰি শিশু-কিশোৰসকল ভবিষ্যতলৈ ইচ্ছা শক্তিহীন প্ৰাণী বা উদাসীন শ্ৰমিক হোৱাৰ পৰিৱৰ্তে একোজন উদ্যমী আৰু সন্মানীয় ব্যক্তি হ’বলৈ অনুপ্ৰাণিত হয়। গকীৰ সেই আহ্বানৰ প্ৰাসংগিকতা আজিও হেৰাই যোৱা নাই।



**টোকাঃ** ‘কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ মনস্তত্ত্বৰ প্ৰতিফলন’ শিৰোনামেৰে মিলনজ্যোতি স্মৃতিগ্ৰন্থত প্ৰকাশিত। এই সংকলনত অন্তৰ্ভুক্ত কৰাৰ সময়ত প্ৰবন্ধটো কিছু পৰিৱৰ্তন কৰা হৈছে।

**তথ্য উৎসঃ**


**বৰগোহাঞিও, হোমেনঃ** আত্মানুসন্ধান, ষ্টুডেন্টচ্ ষ্টৰচ্, নৱম সংস্কৰণ, অক্টোবৰ, ২০০১

**দাস, অমলচন্দ্ৰ (সম্পা)ঃ** অসমীয়া উপন্যাস পৰিক্ৰমা, বনলতা, প্ৰথম সংস্কৰণ, মে’, ২০১২

**ঠাকুৰ, ড° নগেন (সম্পা)ঃ** এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশ, জুলাই, ২০১২

**Ariès, Philippe:** Centuries of Childhood, Penguin, 1962


## এটা শিলৰ জন্ম



**সুনম বিশ্বাস সাহা, গোৰেশ্বৰ, তামুলপুৰ**

এটা শিলৰ জন্মদিন
শিলটো শিল নাছিল জন্মতে
ভ্ৰান্তধাৰণা এটাই আলসুৱা শিলটোক
কংক্ৰিটৰ ৰূপ দিলে ...
আচলতে এই কংক্ৰিটৰ এটা গুণ আছে
হনুমানে দঙা গন্ধমাদন পৰ্সবত থকা জীৱনীৰ দৰে।
জৰাজীৰ্ণ কংকালক চৰ্মৰ তৰপেৰে সজ্জিত কৰাৰ শক্তিয়েই
শেষ নহয় ..আছে আৰু অনেক ক্ষমতা
যিয়ে বোকাত গজা উদ্ভিদৰ লগত
প্ৰতিদ্বন্দ্বিতাৰ সুৰ নিমিলাই
কাৰণ কংক্ৰিটৰ বুকুত গজা উদ্ভিদবোৰ তাৰ যোগ্য নহয়।
অযোগ্যক যোগ্য কৰাত সি পাৰদৰ্শি
যদিও জন্মদানৰ পিছত সি উভতি নাচায়।
নৱজাত চৰাইৰ মুখত আহাৰ তুলি দিয়া কংক্ৰিটো
এতিয়া নিস্পানী ব্ৰত ধাৰণ কৰিছে
পৰুৱাৰ বোজা কঢ়িয়াব পৰা শক্তিকণো নাই
প্ৰখৰ ৰ’দৰ উত্তাপ সহ্য কৰাত সি অভ্যস্ত যদিও
শীতল হিমস্ৰোতৰ ধাৰ বহনত ভাৰাক্ৰান্ত হৈ পৰিছে ।

# বৰভূঁইকঁপৰ পাছত মৃত্যুপুৰীত

থাইলেণ্ডত তাচপাতৰ ঘৰৰ দৰে খহি পৰিছে ৩০ মহলীয়া নিৰ্মীয়মাণ প্ৰাসাদ। ইতিমধ্যে ধূলিত এই প্ৰাসাদটো মিহলি হৈ যোৱা শিহৰণকাৰী ভিডিঅ' ভাইৰেল হৈ পৰিছে ছ'চিয়েল মিডিয়াত। এই প্ৰাসাদ খহি পৰাৰ সময়ত আতংকিত লোকসকলে বিভিন্ন স্থানলৈ দৌৰি জীৱন ৰক্ষা কৰাৰ চেষ্টা চলোৱা দৃশ্যও ভিডিঅ'ত বন্দী হৈছে। উল্লেখনীয় যে এই ভূমিকম্পৰ জোকাৰণি শুকুৰবাৰে কেইবাখনো দেশত অনুভূত হৈছিল। ইতিমধ্যে বিভিন্ন দেশৰ উদ্ধাৰকাৰীয়ে ধ্বংসস্তূপত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। দেশখনৰ সামৰিক চৰকাৰে দাবী কৰা অনুসৰি ধ্বংসস্তূপত আঁবদ্ধ হৈ আছে কেইবাশও লোক। এই লোকসকলৰ গৰিষ্ঠসংখ্যকৰ মৃত্যু হোৱাৰ আশংকা আছে বুলিও চৰকাৰে দাবী কৰিছে। ভূমিকম্পই ধ্বংসলীলা সৃষ্টি কৰাৰ পাছৰে পৰা ম্যানমাৰত অৱৰ্ণনীয় পৰিস্থিতিয়ে দেখা দিছে। কেউফালে কেৱল ভাঙি পৰা বাসগৃহ, বিশাল বিশাল অট্টালিকাৰ ধ্বংসস্তূপ নাইবা বিধ্বস্ত বাট-পথ। ইফালে, আহত লোকসকলৰ আৰ্ত চিৎকাৰে হাস্পতালসমূহত শোকাৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। লক্ষণীয়ভাবে এই ভূমিকম্পত ম্যানমাৰৰ উপৰি থাইলেণ্ডতো বিস্তৰ ক্ষতিসাধন হৈছে। অৱশ্যে থাইলেণ্ডৰ ৰাজধানী বেংককত এই ভূমিকম্পত ১০ গৰাকী লোকৰ মৃত্যু হোৱা বুলিহে দেশখনৰ চৰকাৰে সদৰী কৰিছে। ইফালে, ম্যানমাৰৰ মাণ্ডালে চহৰৰ এটা আৱাসিক ব্লকৰ ধ্বংসস্তূপত ৯০ গৰাকী লোক আবদ্ধ হৈ থকা বুলি দাবী কৰিছে উদ্ধাৰকাৰীয়ে। ম্যানমাৰৰ কেইবা স্থানতো উদ্ধাৰকাৰ্য আৰম্ভ কৰা হৈছে। ইতিমধ্যে বিভিন্ন দেশে এই দুৰ্যোগৰ সময়ত দেশখনলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। আনকি উদ্ধাৰকাৰী দলো প্ৰেৰণ কৰিছে কেইবাখনো দেশে। ইপিনে, ম্যানমাৰ আৰু থাইলেণ্ডত ভূমিকম্পই হাহাকাৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বিধ্বস্ত দুই দেশলৈ সহমৰ্মিতা প্ৰকাশ কৰিছে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰী মোদীয়ে কয়- ম্যানমাৰ আৰু থাইলেণ্ডৰ ভূমিকম্পৰ পাছৰ পৰিস্থিতিক লৈ উদ্বিগ্ন। সুৰক্ষা আৰু সকলোৰে কল্যাণৰ বাবে প্ৰাৰ্থনা জনাইছোঁ। ভাৰত সকলো সম্ভাব্য সহায়ৰ বাবে সাজু হৈ আছে। ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষসমূহক সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। বৈদেশিক মন্ত্ৰালয়ক ম্যানমাৰ আৰু থাইলেণ্ডৰ চৰকাৰৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰিবলৈ নিৰ্দেশ দিছে।

# গুৱাহাটীত স্থায়ী ভেণ্ডিং জ'ন

পৌৰ নিগম ব্যৰ্থ হোৱাত মহানগৰীত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হৈ অহাৰ লগতে মহানগৰবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈ আহিছে। ষ্ট্ৰীট ভেণ্ডিং আইন ২০১৪ অনুসৰি, জিএমচিয়ে মহানগৰীৰ পদপথত ব্যৱসায় কৰি অহা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ ওপৰত জৰীপ চলোৱাটো বাধ্যতামূলক। কিন্তু জিএমচিয়ে আজিলৈকে সঠিক ৰূপত মহানগৰীৰ পদপথ ব্যৱসায়ীসকলৰ ওপৰত জৰীপ চলোৱা নাই। ২০১৫ চনৰ এপ্ৰিল মাহত চলোৱা জৰীপ অনুসৰি গুৱাহাটীত পদপথ ব্যৱসায়ীৰ সংখ্যা আছিল ৭, ১৮২ গৰাকী। এই ব্যৱসায়ীসকলকো ভেণ্ডিং জ'ন স্থাপন কৰি সংস্থাপন দিয়াত ব্যৰ্থ হৈছে গুৱাহাটী পৌৰ নিগম। ফলত ব্যৱসায়ীসকলে মহানগৰীৰ পথ-পদপথ দখল কৰি বছৰৰ পিছত বছৰ ধৰি ব্যৱসায় চলাই আহিবলগীয়া হৈছে। স্থায়ী ভেণ্ডিং জ'ন নথকাত জিএমচিয়ে মাজে-সময়ে পথ-পদপথত ব্যৱসায় কৰি অহা ক্ষুদ্ৰ ব্যৱসায়ীসকলক উচ্ছেদ কৰি আহিছে। জীৱন আৰু জীৱিকাৰ স্বাৰ্থত পদপথ ব্যৱসায়ীসকলে বছৰৰ পিছত বছৰ ধৰি জিএমচিৰ বিষয়া-কৰ্মচাৰীৰ হাৰাশাস্তি সহ্য কৰি ব্যৱসায় চলাই আহিছে। ইয়াৰে সুযোগ লৈ গুৱাহাটী পৌৰ নিগমৰ একাংশ অসাধু বিষয়া-কৰ্মচাৰীয়ে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ পৰা ভয়-ভাবুকিৰে ধন সংগ্ৰহ কৰি অহাৰো অভিযোগ উত্থাপন হৈ আহিছে। উল্লেখ্য যে গুৱাহাটী পৌৰ নিগমে ২০২৩ চনত গুৱাহাটী মহানগৰীত ১২০টা ভেণ্ডিং জ'ন স্থাপনৰ কথা ঘোষণা কৰিছিল। ২০২৪ চনত এই সংখ্যা হ্ৰাস কৰি ৮টা ভেণ্ডিং জ'ন স্থাপনত অনুমোদন জনাইছিল। ২০২৫ বৰ্ষত মহানগৰীৰ ১০টা ভেণ্ডিং জ'ন স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছিল গুৱাহাটী পৌৰ নিগমে। কিন্তু আজি পৰ্যন্ত গুৱাহাটী পৌৰ নিগমে ঘোষণা কৰা ভেণ্ডিং জ'নসমূহ কাৰ্যকৰী কৰা নহ'ল। ফলস্বৰূপে ক্ষুদ্ৰ পদপথ ব্যৱসায়ীসকলে জীৱন আৰু জীৱিকাৰ বাবে সংগ্ৰাম কৰি আহিবলগীয়া হৈছে। ষ্ট্ৰীট ভেণ্ডিং আইন জিএমচিয়ে সঠিক ৰূপত কাৰ্যকৰী নকৰিলে গুৱাহাটী মহানগৰী এখন বিশৃংখল মহানগৰীলৈ পৰিণত হ'ব।

# দুধনৈ-বকোত বিজেপিৰ বিশাল

নেতৃত্বাধীন এনডিএৰ শাসনত। ভাৰতীয় জনতা পাৰ্টিয়ে একমাত্ৰ দল যিয়েই জনজাতি সমূহৰ সমস্যাবোৰ উপলব্ধি কৰিব পাৰে। আজি ৰাভা হাছং অঞ্চলৰ উন্নয়ন আৰু বিকাশেই ইয়াৰ স্পষ্ট প্ৰমাণ ।ভাৰতীয় জনতা পাৰ্টি আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ এনডিএ প্ৰাৰ্থীসকলৰ সমৰ্থনত দুধনৈ আৰু বকোত অনুষ্ঠিত বিশাল নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ভাষণত শইকীয়াই অহা ২ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী সকলক পদুম ফুলৰ চিহ্নত আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীসকলক টিভিৰ চিহ্নত ভোট দি বিশাল ভোটৰ ব্যৱধানত নিৰ্বাচিত কৰিবলৈ ৰাইজক আবেদন জনায়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাও উপস্থিত থকা সভাত অংশগ্ৰহণ কৰি ৰাভা হাছং স্বায়ত্ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই ৰাভা হাছং নিৰ্বাচনত কংগ্ৰেছ শূন্য কৰিবলৈও উপস্থিত জনতাক আহ্বান জনায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই পৰাজয়ৰে গীনিজ বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তি কৰিবলৈ যোৱা বুলিও ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ নেতা টংকেশ্বৰ ৰাভাই কংগ্ৰেছ নেতাজনক কটাক্ষ কৰে।

# সদৌ অসম লেখিকা সমাৰোহ

লনী দত্ত, আৰু ড° মঞ্জুলা হুছেইনৰ সম্পাদিত "সুবাস" উন্মোচন কৰে ড° জেউতি বৰুৱাই, তদুপৰি এই সভাতে চচল শাখাৰ সদস্যা অঞ্জলী শৰ্মাৰ গল্প সংকল স্খলন উন্মোচন কৰে বিশিষ্ট শিশু সাহিত্যিক তথা কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা নীলিমা বৰাই। চচল শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠা কালৰে পৰা থকা উপদেষ্টা বিশিষ্ট সাহিত্যিক ড° হিৰন্ময়ী নাথক শাখাৰ তৰফৰ পৰা বিশেষ ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশিষ্ট অতিথিসকলৰ উপৰিও কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত বিভিন্ন শাখাৰ প্ৰতিনিধিসকল উপস্থিত থকা সভাখনত চচল সদস্যা অপৰ্ণা শইকিয়া আৰু লনী দত্তই আৱভণিতে এটি সৰস্বতী বন্দনা আৰু শাখাৰ সদস্যাসকলে সমবেত সঙ্গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰি তোলে। শেষত সভানেত্ৰীৰ চমু বক্তব্য আৰু সহ-সম্পাদিকা সান্ত্বনা দাস বৰ্মণে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত অসম সঙ্গীতেৰে সভাখনৰ সামৰণি পৰে।

# ম্যানমাৰলৈ ১৫ টন

লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰী মোদী আৰু মিনৰ এই বাৰ্তালাপৰ পাছতে দুৰ্যোগৰ সময়ত প্ৰথম সাহায্যকাৰী দেশ হিচাপে ভাৰতে ম্যানমাৰলৈ ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰে। ইয়াৰ উপৰি ভাৰতে উদ্ধাৰকাৰী আৰু চিকিৎসকৰ দলো ম্যানমাৰলৈ প্ৰেৰণ কৰিছে। বায়ুসেনাৰ বিমানেৰে ভাৰতে এনডিআৰএফৰ ৮০ জনীয়া দলক ম্যানমাৰলৈ প্ৰেৰণ কৰিছে। অকল সেয়াই নহয়, ম্যানমাৰত এই উদ্ধাৰ অভিযানত নমা এনডিআৰএফৰ কৰ্মীসকলৰ এই অভিযানৰ নাম ৰখা হৈছে 'অপাৰেচন ব্ৰহ্মা'। প্ৰতিবেশীৰ এই চৰম বিপদৰ সময়ত সহায় কৰাটো ভাৰতৰ কৰ্তব্য বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। ভাৰতে প্ৰেৰণ কৰা সাহায্য সামগ্ৰীসমূহৰ ভিতৰত আছে তম্বু, কম্বল, শ্লিপিং বেগ, খাদ্যৰ পেকেট, হেল্থ কিট, জেনেৰেটৰ আৰু প্ৰয়োজনীয় দৰব। শুকুৰবাৰে ভাৰতীয় সময় অনুসৰি ১১.৫০ বজাত ৭.৭ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰিছিল ম্যানমাৰক। ইয়াৰ প্ৰভাৱ প্ৰতিৱেশী দেশসমূহতো পৰিছিল। ইয়াৰ পাছত ৬.৬ প্ৰাবল্যৰ ভূমিকম্পই পুনৰ ধ্বংসলীলা সৃষ্টি কৰে ম্যানমাৰত। লক্ষণীয়ভাৱে উদ্ধাৰকাৰীৰ উপৰি ভাৰতে ম্যানমাৰলৈ ১১৮গৰাকী চিকিৎসক তথা স্বাস্থ্যকৰ্মীকো প্ৰেৰণ কৰিছে। ইফালে, চীন-ৰাছিয়া আদি দেশেও ম্যানমাৰলৈ বিভিন্ন সাহায্য সামগ্ৰী আৰু উদ্ধাৰকাৰী দল প্ৰেৰণ কৰিছে। ইয়াৰ মাজত তাৎক্ষণিকভাৱে আমেৰিকাই কোনোধৰণৰ সামগ্ৰী প্ৰেৰণ কৰা নাই যদিও এই দুৰ্যোগৰ সময়ত দেশখনৰ লোকসকলক বিভিন্ন ধৰণৰ সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে।

# আজি বৰ্ষাপাৰাত

হৈছে ৰাজস্থান ৰয়েলছৰ বাবে। বৰ্ষাপাৰাত যোৱা ২৬ মাৰ্চত হৈ যোৱা মেচখনতো দলটোৰ প্ৰদৰ্শন আছিল হতাশাজনক। ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত পৰাজয় স্বীকাৰ কৰাত প্ৰতিযোগিতাখনত প্ৰত্যাৱৰ্তন কৰাৰ বাবে আজিৰ মেচখন ৰাজস্থানৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। দলটোৰ অধিনায়ক ৰিয়ান পৰাগেও বিশেষ উন্নত প্ৰদৰ্শন দাঙি ধৰিব পৰা নাই। আজিৰ হাইভল্টেজ মেচখনত ৰিয়ান পৰাগে বিস্ফোৰক ইনিংছ খেলি দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব বুলি আশাবাদী ঘৰুৱা অনুৰাগী। ইফালে যোৱাকালি সন্ধিয়া মহেন্দ্ৰ সিং ধোনীসহ চেন্নাই ছুপাৰ কিংছৰ দলটো গুৱাহাটীত উপস্থিত হয়। আইপিএলৰ ইতিহাসত দুয়োটা দলে এতিয়ালৈকে ২৯ বাৰ মুখামুখি হৈছে আৰু ইয়াৰে ১৬ বাৰ চিএছকে আৰু ১৩বাৰ ৰাজস্থানে জয়ৰ মুখ দেখিছে। আজিৰ হাইভল্টেজ মেচৰ পূৰ্বে বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব এক বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে গুৱাহাটীত উপস্থিত হৈছে বলীউডৰ মোহময়ী অভিনেত্ৰী ছাৰা আলী খান। তদুপৰি প্ৰথমবাৰৰ বাবে গুৱাহাটীত হ'ব ড্ৰ'ন শ্ব'। এক মায়াময় পৰিৱেশৰ সাক্ষী হ'ব ক্ৰীড়াপ্ৰেমীসকল। মেচখন আৰম্ভ হোৱাৰ ঠিক এঘণ্টা পূৰ্বে সন্ধিয়া ৬.৩০ বজাত আৰম্ভ হ'ব সাংস্কৃতিক অনুষ্ঠানটো। দেওবাৰৰ সন্ধিয়াটো এক স্মৰণীয় মুহূৰ্ত হৈ ৰ'ব বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত উপস্থিত থকা দৰ্শকসকলৰ বাবে। ইফালে বৰ্ষাপাৰাত মহেন্দ্ৰ সিং ধোনীৰ খেল চাবলৈও অতি উৎকণ্ঠাৰে অপেক্ষা কৰিছে ক্ৰিকেটপ্ৰেমীসকলে। গুৱাহাটীত উপস্থিত হয়। আজিৰ মেচৰ বাবে যান-বাহন আৰক্ষীয়ে ২৬ মাৰ্চৰ দৰেই পথ নিৰ্দেশনা দিছে।

# শ্বিলঙত আজি নৰ্থ-

ছিজনৰ সাফল্যৰ মূল আহিলা। আলাউদ্দিন আজাৰাইৰ গ'ল কৰাৰ যাদুৱে ঘৰুৱা দলটোৰ সফলতাত উল্লেখনীয় ভূমিকা ল'ব। ২৪খন মেচত তেওঁ ২৩টা গ'ল কৰিছে। আজিৰ মেচৰ পূৰ্বে নৰ্থ-ইষ্ট ইউনাইটেডৰ মুখ্য প্ৰশিক্ষক জুৱান পেড্ৰ' বেনালিয়ে কয় 'আমি কোনো অজুহাত নেদেখুৱাই যেতিয়াই সুযোগ আহিব তেতিয়াই গ'ল দিব লাগিব। আমি আমাৰ সুযোগক ৰূপান্তৰ কৰিব লাগিব। লগতে মনোনিবেশ কৰিব লাগিব জামছেদপুৰৰ বিশেষ শৈলীৰ খেল বন্ধ কৰা।'

# গণেশপাৰা আঞ্চলিক

সমাজৰ মুখ্য উপদেষ্টা, প্ৰাক্তন অধ্যাপক সুশীল চন্দ্ৰ বৰঠাকুৰ, জ্যেষ্ঠ সদস্য গকুল বৰুৱা, থানেশ্বৰ কলিতা, সঞ্জীৱ দেৱ চৌধুৰী, নৱ প্ৰসাদ শৰ্মাই যুক্তিপূৰ্ণ প্ৰশ্ন উত্থাপন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত কুন্তী দেৱী পৰিয়ালৰ ফালৰ পৰা ভতিজী ড° মনোৰমা শৰ্মাই কুন্তী দেৱীৰ গুণানুকীৰ্তন কৰে। অনুষ্ঠানত কাব্যঞ্জলী বড়ো, মনহৰ কলিতা, অভিপ্সা, ইশানী, দৃষ্টিয়ে গীত পৰিৱেশন কৰে। জ্যেষ্ঠ সদস্য উমেশ ভাগৱতীৰ শলাগৰ শৰাইৰে অনুষ্ঠান সামৰণি মৰা হয়।

## পলাশবাৰীৰ ৰামপুৰৰ কৃষঙ

অতি কম মজুৰিত এই উদ্যোগত কাম কৰি আহিছে শ্ৰমিকে। এক প্ৰকাৰ সপ্তাহৰ প্ৰতিটো দিনেই কাম কৰিব লাগে শ্ৰমিকে। মালিকপক্ষই শ্ৰমিকৰ কোনো অভাৱ অভিযোগ শুনিবলৈ সময় নাই। এই উদ্যোগত নাই সা সুবিধা। নাই এম্বুলেন্স, নাই প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা। নিশাৰ ভাগত শ্ৰমিকে অহা যোৱা কৰাৰ কোনো ব্যৱস্থা নাই। এক প্ৰকাৰ হিটলাৰী শাসন চলিছে এই উদ্যোগত। ইয়াৰ বাবেই মাত মাতি অহাত শ্ৰমিকক আক্ৰমণো কৰিছে ঠিকাদাৰে। কিন্তু মালিকপক্ষৰ কোনো কাণসাৰ নাই বুলি শ্ৰমিকসকলে অভিযোগ উত্থাপন কৰে। যাৰবাবে শোষিত বঞ্চিত শ্ৰমিকসকলে আজি মালিকপক্ষৰ বিৰুদ্ধে প্ৰতিবাদত নামি পৰে। শেষত ঘটনানাস্থলীত বিজয়নগৰ আৰক্ষীৰ লোক উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। কিন্তু মালিকপক্ষৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে বিধায়ক হেমাংগ ঠাকুৰীয়াৰো হস্তক্ষেপ দাবী কৰিছে শোষিত বঞ্চিত শ্ৰমিকসকলে।

## ১ এপ্ৰিলৰ পৰা হ্ৰাস পাব

গ্ৰাহকসকলে পূৰ্বে প্ৰতি ইউনিটত বিদ্যুৎ শুল্ক আদায় কৰিছিল ৬.৩৪ টকাকৈ। এটাকৈ হ্ৰাস কৰাত এতিয়া এই নিৰিখ হ'ব ৫.৩৪ টকা। আনহাতে, সাধাৰণ ঘৰুৱা গ্ৰাহকে প্ৰতি ইউনিটত মাচুল আদায় দিছিল ৮.৭৪ টকাকৈ। নতুন নিৰিখ অনুসৰি প্ৰতি ইউনিটত মাচুল হ'ব ৭.৭৪ টকাকৈ। বাণিজ্যিক ক্ষেত্ৰত প্ৰতি ইউনিটত বৰ্তমান মাচুল হৈছে ৯.১৯ টকা। ২৫ পইচাকৈ হ্ৰাস হোৱাৰ পিছত প্ৰতি ইউনিটত এতিয়া শুল্ক হ'ব ৮.৯৪ টকা। কৃষিৰ ক্ষেত্ৰত বৰ্তমানে মাচুল নিৰ্ধাৰণ কৰা আছিল ৬.৩৪ টকাকৈ। ২৫ পইচা হ্ৰাস কৰিলে প্ৰতি ইউনিটত মাচুল হ'ব ৬.০৯ টকাকৈ। ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত এতিয়া প্ৰতি ইউনিটত মাচুল হৈছে ৬.৮৪ টকাকৈ। ২৫ পইচাকৈ নিৰিখ হ্ৰাস কৰিলে প্ৰতি ইউনিটত মাচুল হ'ব ৬.৫৯ টকাকৈ। একেদৰে চাহ বাগিচা আৰু ৰবৰৰ খেতিৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিদ্যুতৰ নিৰিখো ২৫ পইচাকৈ হ্ৰাস কৰা হৈছে। সেই হিচাপে চাহ আৰু ৰবৰ খেতিৰ ক্ষেত্ৰত ব্যৱহৃত বিদ্যুতৰ প্ৰতি ইউনিটৰ বৰ্তমানৰ নিৰিখ ৭.৯৪ টকা। ২৫ পইচাকৈ হ্ৰাস কৰাৰ ফলত এই নিৰিখ হ'ব ৭.৬৯ টকা। তেল আৰু কয়লা উদ্যোগৰ ক্ষেত্ৰতো বৰ্তমান ৮.২৯ টকাৰ স্থানত ২৫ পইচাকৈ হ্ৰাস পালে এই নিৰিখ হ'বগৈ প্ৰতি ইউনিটত ৮.০৪ টকাকৈ। ইফালে, বিদ্যুৎ নিয়ামক আয়োগে বিদ্যুৎ মাচুল হ্ৰাস কৰা বিষয়টো সন্দৰ্ভত আজি সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে যে আৰ্থিকভাৱে অনগ্ৰসৰ আৰু মধ্যবিত্ত শ্ৰেণীয়ে ইয়াৰ জৰিয়তে বৃহৎ সকাহ লাভ কৰিব। বাজেটত ঘোষণা কৰা অনুসৰি বিদ্যুৎ নিৰিখ প্ৰতি ইউনিটত ১ টকাকৈ হ্ৰাস পালে উপকৃত হ'ব ৬৮ লাখ লোক। এই শুল্ক হ্ৰাসে গ্ৰীষ্মকাল আৰম্ভহোৱাৰ পূৰ্বে অতি প্ৰয়োজনীয় সকাহ প্ৰদান কৰিব।

## ৫ উইকেটত জয়লাভ

হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয় লক্ষ্ণৌ ছুপাৰ জায়েন্টছ। দলীয় স্ক'ৰ ৪ ৰানতে অপেনাৰ মাৰ্কৰামে ১ৰান কৰি বিদায় লোৱাত দলটোৱে বিপদত পৰিছিল যদিও মাৰ্শ্ব আৰু পুৰানে দ্বিতীয় উইকেটত ১১৬ ৰান সংগ্ৰহ কৰি দলৰ জয়ৰ পথ প্ৰশস্ত কৰিছিল। অধিনায়ক পন্টে ১৫ আৰু আয়ুস বাদ'নিয়ে ৬ ৰান কৰি বিদায় লয় যদিও ডেভিদ মিলাৰে ৭টা বলত ১৩ আৰু আব্দুল ছামাদে ৮টা বলত ২২ ৰান কৰি অপৰাজিত হৈ থাকে। মিলাৰ আৰু ছামাদে ষষ্ঠ উইকেটত অপৰাজিতভাৱে ২৯ ৰান সংগ্ৰহ কৰি দলক জয়ৰ সোৱাদ দিয়ে। হায়দৰাবাদৰ হৈ পেট কামিনছে সৰ্বাধিক ২টা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ আমন্ত্ৰণ ক্ৰমে প্ৰথমে বেটিং কৰিবলৈ আহি শাৰ্দুল ঠাকুৰৰ দৰ্শনীয় বলিঙৰ সন্মুখত ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইনিংছ আৰম্ভণি মুঠেই সুখকৰ নাছিল ছানৰাইজাৰ্ছৰ। দলীয় স্ক'ৰ ১৫ ৰানতে অভিষেক শৰ্মা আৰু ঈশান কিষণক হেৰুৱাই দলটোৱে বিপদত পৰে। অপেনাৰ অভিষেকে ৬ আৰু ঈশানে কোনো ৰান নকৰাকৈ পেভিলিয়নমুখী হয়। অৱশ্যে আনগৰাকী অপেনাৰ ট্ৰেভিছ হেডে নীতিশ কুমাৰ ৰেড্ডীৰ সৈতে লগ লাগি তৃতীয় উইকেটত ৬১ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। ট্ৰেভিছে ২৮টা বলত ৪৭ ৰান কৰি বিদায় লয়। ইফালে ৩২ ৰানত বিদায় লোৱাৰ পূৰ্বে নীতিশে ক্লাছেনৰ সৈতে চতুৰ্থ উইকেটত ৩৪ ৰান সংগ্ৰহ কৰে আৰু অনিকেত বাৰ্মাৰ সৈতে পঞ্চম উইকেটত ১৮ ৰান সংগ্ৰহ কৰে। ক্লাছেনে ২৬ ৰান কৰি বিদায় লয়। আনহাতে মাত্ৰ ১৩টা বলত ৩৬ ৰানৰ দৰ্শনীয় ইনিংছ খেলা অনিকেতে ষষ্ঠ উইকেটত অভিনৱ মনোহৰৰ সৈতে ৪৬ ৰান সংগ্ৰহ কৰে। অধিনায়ক কামিনছে ৪টা বলত ১৮ ৰান কৰে। লক্ষ্ণৌৰ হৈ শাৰ্দুল ঠাকুৰে সৰ্বাধিক ৪টা উইকেট লাভ কৰে।

## দ্বিতীয়খন মেচতো পৰাস্ত

কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে ৰঘুবংশীয়ে ১৭টা বলত দুটা বাউণ্ডেৰীৰে ২২ ৰান কৰি নটআউট হৈ থাকে। ৰাজস্থান ৰয়েলছৰ হৈ ৱানিন্দু হাছাৰাংগাই একমাত্ৰ উইকেটটো দখল কৰে। উল্লেখ্য যে ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাছে চলিত আইপিএলত প্ৰথমটো জয়ৰ সোৱাদ লাভ কৰিলে। প্ৰতিযোগিতাখনৰ উদ্বোধনী মেচখনত নাইট ৰাইডাৰ্ছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হৈছিল। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছৰ আমন্ত্ৰণক্ৰমে প্ৰথমে বেটিং কৰিবলৈ আহি আক্ৰমণাত্মক আৰম্ভণি কৰাত ব্যৰ্থ হয় ঘৰুৱা দল ৰাজস্থান ৰয়েলছ। কলকাতা নাইট ৰাইডাৰ্ছৰ বলাৰৰ সুনিয়ন্ত্ৰিত বলিঙৰ সন্মুখত ৰিয়ান পৰাগ বাহিনীয়ে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫১ ৰান সংগ্ৰহ কৰে। যশস্বী জয়ছোৱাল আৰু সঞ্জু ছেমছনে ইনিংছ মুকলি কৰিবলৈ আহি প্ৰথম উইকেটৰ যুটিত ৩৩ ৰান সংগ্ৰহ কৰে। ছেমছনে ১৩ ৰান সংগ্ৰহ কৰি পেভিলিয়নমুখী হয়। সঞ্জু ছেমছনৰ ১১টা বলৰ ইনিংছটোত আছিল দুটা বাউণ্ডেৰী। ছেমছন আউট হোৱাৰ পিছত ক্ৰিজলৈ আহে অধিনায়ক ৰিয়ান। ৰিয়ানে ১৫টা বলত তিনিটা ছয়েৰে ২৫ ৰান কৰি বিদায় লয়। ইয়াৰ পাছতে দলটোৰ বিপৰ্যয় আৰম্ভ হয় আৰু এটাৰ পিছত আন এটা উইকেট হেৰুৱাবলৈ ধৰে ৰাজস্থানে। ৰিয়ান আউট হোৱাৰ কিছু সময়ৰ পাছতে জয়ছোৱালে ২৯, ৱানিন্দু হাছাৰাংগাই ৪ আৰু নীতিশ ৰাণাই ৮ ৰান কৰি বিদায় লয়। অৱশ্যে ধ্ৰুৱ জুৰেলে শুভম ডুবেৰ সৈতে ষষ্ঠ উইকেটত ২৮ ৰান কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে যদিও ৰাজস্থানে বৃহৎ স্ক'ৰ থিয় কৰোৱাত ব্যৰ্থ হয়। ধ্ৰুৱ জুৰেলে দলটোৰ হৈ সৰ্বাধিক ৩৩ ৰান কৰে। শুভমে ৯ আৰু ছিমৰন হেটমায়েৰে ৭ ৰান কৰি পেভিলিয়নমুখী হয়। জোফ্ৰা আৰ্চাৰে ৭টা বলত দুটা ছয়েৰে ১৬ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ বৈভৱ আৰোৰা, হৰ্ষিত ৰাণা, মঈন আলী আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট লাভ কৰাৰ লগতে স্পেনছাৰ জনছনে এটা উইকেট লাভ কৰে।

## সকলোকে অবাক কৰি

২৬ লৈ কঁকালত টঙালি বান্ধিছে আম আদমি পাৰ্টীয়ে। দলটোৱে অসমৰ বহুকেইখন জিলাত বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰে। তিনিচুকীয়া, যোৰহাট, গোলাঘাট আৰু কামৰূপ জিলাত সহস্ৰাধিক লোকে আম আদমি পাৰ্টীত যোগদান কৰে। বিজেপি, ৰাইজৰ দল আৰু কংগ্ৰেছৰ বহু নেতা কৰ্মীৰ লগতে বহু কেইজন নিৰ্বাচিত জনপ্ৰতিনিধি আৰু সমাজসেৱকে অৰবিন্দ কেজৰীৱালৰ নীতিআদৰ্শৰ প্ৰতি আকৰ্ষিত হয়। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তি যোগে আপ অসমৰ ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰীয়ে কয় যে আপৰ জনপ্ৰিয়তা দিনকদিনে বৃদ্ধি হৈছে। বিজেপিৰ দৰে এটি সাম্প্ৰদায়িক দলক যে একমাত্ৰ আম আদমি পাৰ্টীয়েহে মুখামুখিকৈ যুঁজ দিব পাৰে সেইয়া শিক্ষিত সমাজে বুজি উঠিছে। উল্লেখযোগ্য যে ডাঃ চৌধুৰীয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত কোনো ৰাষ্ট্ৰীয় দলৰ সৈতে আপে মিত্ৰতা নকৰে বুলি উল্লেখ কৰে।

## নলবাৰীত 'নাহৰ ফুল'

নুৰুল ইছলাম, জাহিদুল হক চৌধুৰী, সাংবাদিক চুনু সঞ্জয়, উদীয়মান অভিনেতা, নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য, অভিনেত্ৰী মৌচুমী কলিতা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল। গীতটোৰ কৰিঅ'গ্ৰাফী-মনোজ দাসৰ, কেমেৰা আৰু সম্পাদনা-চাইফুলৰ, মেকআপ-চুমিৰ। গুৱাহাটীৰ আশে -পাশে বিভিন্ন লোকেচনত গীতটোৰ দৃশ্যগ্ৰহণ কৰা হৈছে। গীতটো সমূহ অসমৰ ৰাইজে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰিছে শিল্পী, অভিনেতা- অভিনেত্ৰী আৰু কলা-কুশলীসকলে। লগতে অভিনেতা বিশ্বজিৎ বৈশ্য ই কয় যে, আগৰ ভিডিও বোৰত ৰাইজৰ মৰম আৰু পূৰ্ণ সহযোগ পাই সচাকৈ ভাল লাগিছে, গতিকে এই বিহুগীতটো যাতে শ্ৰোতা ৰাইজে আদৰি লৈ উৎসাহ দিয়ে তাৰে কামনা কৰিছো।

## প্ৰাক্তন সভাপতি

কৰা এইগৰাকী সাহিত্যিকে দুবাৰকৈ অসম সাহিত্য সভাৰ উপসভাপতি আৰু চাৰি বছৰকাল অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকৰ পদত অধিষ্ঠিত হৈ সভালৈ সেৱা আগবঢ়ায় গৈছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মিতালী শইকীয়া, সচিব অশোক সেনাপতি, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য শংকুসিদ্ধ নাথ, সাহিত্য সংগঠক বিদ্যুৎ ভূষণ বৰা, নৰেন চন্দ্ৰ বৰা, সভাৰ কৰ্মচাৰীসকল প্ৰমুখ্যে বহু সংখ্যক সাহিত্যপ্ৰেমীয়ে চিৰ চেনেহী মোৰ ভাষা জননী গীতৰ ৰচক গৰাকীক সশ্ৰদ্ধ স্মৰণ কৰে বুলি এক সংবাদ বিবৃতিৰ যোগেদি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়ে।

## ফিফা বিশ্বকাপৰ বাবে

এলেক্সিছ মেক এলিষ্টাৰে গ'ল স্ক'ৰ কৰি বিশ্ব চেম্পিয়ন দলটোক ৩-১ গ'লত অগ্ৰগতি প্ৰদান কৰে। ইপিনে দ্বিতীয়াৰ্ধটো ঘৰুৱা দলটোৰ আক্ৰমণ হ্ৰাস পোৱা নাছিল। গ'লৰ সন্ধানত থকা আৰ্জেন্টিনাই ৭১ মিনিটত আন এক সফলতা লাভ কৰে আৰু মেচখনত বিজয় সাব্যস্ত কৰাটো নিশ্চিত কৰি তোলে। জিউলিয়ানো ছিমিঅ'নে আৰ্জেন্টিনাৰ হৈ চতুৰ্থটো গ'ল স্ক'ৰ কৰে। উল্লেখ্য যে পাঁচবাৰৰ প্ৰাক্তন চেম্পিয়ন ব্ৰাজিলে এতিয়ালৈকে আগন্তুক বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হোৱা নাই। দলটোৱে ১৪খন মেচৰ পৰা ২১ পইন্ট লাভ কৰি চতুৰ্থ স্থানত আছে।

## পাকিস্তানৰ বিৰুদ্ধে ৪-১ত

অনুসৰণ কৰিবলৈ আহি অপেনাৰ টিম ছেইফাৰ্টৰ বিধ্বংসী বেটিঙৰ সহায়ত নিউজিলেণ্ডে ১০ অভাৰতে দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ছেইফাৰ্টে মাত্ৰ ৩৮টা বলত ৬টা চাৰি আৰু ১০টা ছয়েৰে ৯৭ ৰান কৰি অপৰাজিত হৈ থাকে। আনগৰাকী অপেনাৰ ফিন এলেনে ১২টা বলত ২৭ ৰানৰ অৰিহণা আগবঢ়ায়। ছেইফাৰ্ট আৰু এলেনে প্ৰথম উইকেটত ৯৩ ৰান সংগ্ৰহ কৰি দলৰ জয় নিশ্চিত কৰি তুলিছিল। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি জেমছ নিছামৰ বিধ্বংসী বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। দলটোৰ মাত্ৰ তিনিগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰে। অধিনায়ক ছলমান আঘাই সৰ্বাধিক ৫১ ৰান কৰাৰ লগতে ছাদাব খানে ২৮ আৰু অপেনাৰ মহম্মদ হৰিশে ১১ ৰান কৰে। অপেনাৰ হাছান নৱাজে কোনো ৰান নকৰাকৈ বিদায় লয়। নিউজিলেণ্ডৰ হৈ নিছামে সৰ্বাধিক ৫টা উইকেট লাভ কৰে।

ENGLISH NEWS SECTION

# PG CONNECT 2025: University Fair Successfully Organized at Pragjyotish College



Guwahati, RB News- The Commerce Stream of Pragjyotish College, in collaboration with the Internal Quality Assurance Cell (IQAC) and Networking, successfully organized PG CONNECT 2025 – a university fair aimed at guiding students toward higher education opportunities. The event was held at the college basketball court and witnessed enthusiastic participation from over 500 students across the Arts, Science, and Commerce streams. The fair hosted representatives from more than eight prestigious national universities, including Amity University, Manipal University, Shri Vaishnav Vidyapeeth Vishwavidyalaya, GITAM University, East Point, Chanakya Academy, and several others. These institutions provided valuable insights into postgraduate programs, scholarships, and career prospects, helping students make informed decisions about their academic futures. The initiative was spearheaded by Dr. Manoj Kumar Mahanta, Principal of Pragjyotish College, and IQAC, with the aim of bridging the gap between students and higher education institutions. The program was efficiently coordinated by Mukunda kalita and Dr. Uddipta Nayan Medhi, with active support from all faculty members of the Commerce stream. The event concluded on a high note, with students expressing their appreciation for the opportunity to interact with university representatives. Principal Dr. Manoj Kumar Mahanta said that "PG CONNECT 2025 proved to be a significant step in empowering students with the necessary resources and guidance to pursue their postgraduate aspirations."

# German Envoy calls on Assam Governor



Guwahati, RB News- German Ambassador to India Dr. Philipp Ackermann called on Assam Governor Shri Lakshman Prasad Acharya in Raj Bhavan today and talked on a gamut of issues ranging from heritage tourism in Assam to investment potential existing in the state. Governor Shri Acharya referring to decade old bilateral ties between India and Germany said that considering Assam's geo-political importance and its proximity to South East Asian nations, the state can play a vital role in infusing more momentum to the relations between India and Germany.Noting the existing collaboration between IIT Kharagpur and the German Academic Exchange Service through "German India Academic Network for Tomorrow (GIANT)", the Governor advocated for the same collaboration with IIT Guwahati. This, the Governor emphasized, would strengthen academic ties and foster joint research between Assam and Germany.Stating about the recently concluded Advantage Assam 2.0 in Guwahati, the Governor said the summit encouraged overwhelming participation of over 45,000 delegates, including foreign dignitaries, and the signing of more than 300 MoUs amounting to investment proposals exceeding 5 lakh crore. The Governor attributed this development to the growing confidence of investors in Assam's potential as an economic hub of the Northeast and a gateway to Southeast Asia. The Governor also highlighted Assam's potential for spiritual and wild-life tourism referring to the three UNESCO's World Heritage Sites in the state along with sprawling tea tourism. He sought the German Envoy's attention to explore these places to add meaning and extend mutual benefits of both Assam and Germany. The Ambassador was accompanied by Consul General Barbara Voss.

# MS Dhoni becomes highest run-scorer for CSK in IPL history



RB News-MS Dhoni has become the highest run-scorer for Chennai Super Kings (CSK) in the history of IPL. With his knock of 30*(16) against RCB in IPL 2025 on Friday, he took his tally of runs for CSK in IPL to 4,699. He overtook Suresh Raina, who previously led the list of top run-getters for CSK with 4,687 runs.

# RCB beat CSK by 50 runs




RB News- RCB defeated CSK by 50 runs in their IPL 2025 match at Chepauk Stadium in Chennai. It is RCB's first victory over CSK in Chennai since 2008. RCB captain Rajat Patidar top-scored with 51(32) as they posted a total of 196/7. CSK were restricted to 146/8, with RCB's Josh Hazlewood taking three wickets.

# KKR-LSG match in Kolkata rescheduled due to Ram Navami festivities

RB News- KKR-LSG match, originally scheduled to take place on April 6 at Eden Gardens in Kolkata, has been rescheduled to April 8 due to Ram Navami festivities. The decision follows a request from Kolkata Police to Cricket Association of Bengal regarding deployment of personnel across the city owing to festivities, the IPL said. The match will be begin at 3.30 pm.

# মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন



এলবাৰ্ট আইনষ্টাইনৰ জন্ম হৈছিল ১৮৭৯ চনৰ ১৪ মাৰ্চত দক্ষিণ জাৰ্মানিৰ উলম্ চহৰত। তেওঁৰ পিতৃ আছিল হাৰমেন আইনষ্টাইন আৰু মাতৃ আছিল পাউলিন আইনষ্টাইন। এলবাৰ্টৰ মাক পাউলিনে সংগীত বৰ ভাল পাইছিল। মাকৰ পৰাই এলবাৰ্টৰ সংগীতৰ প্ৰতি ধাউতি জন্মিছিল আৰু সৰুৰেপৰাই বেহেলা বজাই ভাল পাইছিল। তেওঁৰ মাত বহু দেৰিকৈ ফুটিছিল আৰু ভাবুক প্ৰকৃতিৰ আছিল। গণিত আৰু বিজ্ঞান তেওঁৰ প্ৰিয় বিষয় আছিল।

তেওঁ জাৰ্মানীত শিক্ষা জীৱনৰ আৰম্ভ কৰিছিল। পাছত তেওঁ চুইজাৰলেণ্ডৰ জুৰিকৰ বিখ্যাত পলিটেকনিক একাডেমিৰ পৰা ১৯০০ চনত পদাৰ্থ বিজ্ঞান আৰু গণিতবিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰিছিল। প্ৰথমতে তেওঁ কিছুদিন শিক্ষকতা কৰি পাছত চুইজাৰলেণ্ডৰ বাৰ্ণ চহৰৰ পেটেণ্ট অফিচত কেৰাণীৰ চাকৰি কৰিছিল। সেই সময়তে তেওঁ ৫ খন গৱেষণা পত্ৰ প্ৰকাশ কৰে। তাৰে এটা বিষয় "আলোক বৈদ্যুতিক প্ৰভাৱ"ৰ বাবে ১৯২১ চনত ন'বেল বঁটা লাভ কৰিছিল। আন এটা বিষয় আছিল "আপেক্ষিকতাবাদ"। বিজ্ঞান জগতৰ নতুন নতুন আৱিষ্কাৰে আইনষ্টাইনক বিশ্ব-বিখ্যাত কৰি তুলিছিল। ১৯৫৫ চনৰ ১৮ এপ্ৰিল তাৰিখে তেওঁৰ মৃত্যু হৈছিল।

আইনষ্টাইন মহান বিজ্ঞানী আছিল যদিও সহজ সৰল জীৱন যাপন কৰিছিল। তেওঁ শিশু সকলক বৰ ভাল পাইছিল। শিশুক গণিত শিকাইছিল, শিশু হঁতৰ গানৰ লগত বেহেলা বজাইছিল। এবাৰ এজনী ছয় বছৰীয়া ছোৱালীয়ে আইনষ্টাইনলৈ এখন চিঠিত লিখিছিলঃ "মৰমৰ আইনষ্টাইন, মই তোমাৰ ছবিখন বাতৰি কাকতত দেখিলোঁ। তোমাৰ জপৰা চুলিবোৰ কাটি পেলাবা। তেতিয়া তোমাক দেখাত ভাল লাগিব।"

**ৰিদম কন্দলী, অষ্টম শ্ৰেণী**
**অমৰ শৰ্মা উচ্চ মাধ্যমিক বিদ্যালয়, দেৰগাঁও**






ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286